গুৱাহাটী আৰু নগাঁৱৰপৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ২২ আগষ্ট ২০২৫/৫ ভাদ ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ
● সংখ্যা - ১৮ ● Vol - 14, Issue - 18




# সমগ্ৰ অসমত বৰ্তমান প্ৰায় ১০০খন ষ্টেডিয়াম নিৰ্মাণ কৰি থকা হৈছেঃ মুখ্যমন্ত্ৰী

## উত্তৰ গুৱাহাটীৰ ফুলুঙত অসম ক্ৰিকেট সন্থাৰ ক্ৰিকেট একাডেমী আৰু গুৱাহাটী টাউন ক্লাৱৰ ফুটবল একাডেমীৰ চৌহদ উদ্বোধন মুখ্যমন্ত্ৰীৰ



**ৰমেন ভৰালী, বংশৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উত্তৰ গুৱাহাটীৰ ফুলুঙত অসম ক্ৰিকেট সন্থাৰ অত্যাধুনিক ক্ৰিকেট একাডেমী আৰু গুৱাহাটী টাউন ক্লাৱৰ ফুটবল একাডেমীৰ স্থায়ী চৌহদ উদ্বোধন কৰে। অসম ক্ৰিকেট সন্থাৰ ক্ৰিকেট একাডেমী চৌহদত ১০ টা প্ৰেক্টিছ উইকেট, ৫ টা চেণ্টাৰ উইকেটৰ সৈতে এখন ক্ৰিকেট খেলপথাৰ, ভাৰতবৰ্ষৰ ভিতৰতে অন্যতম বৃহৎ ১০ টা উইকেটৰ সৈতে ইনড'ৰ ক্ৰিকেট হল, খেলুৱৈৰ আৱাস আদিৰ উপৰি কাৰিকৰী সঞ্চালক, প্ৰশিক্ষক আদিৰ ব্যৱস্থা কৰা হৈছে। আনহাতে গুৱাহাটী টাউন ক্লাৱৰ ফুটবল একাডেমী চৌহদত দুখন ফুটবল গ্ৰাউণ্ড, ৬০খন বিচনাযুক্ত হোষ্টেল, ফুটবল পেভিলিয়নৰ ব্যৱস্থা কৰা হৈছে। ভৱিষ্যতে ইয়াত ইনড'ৰ গেমছৰো ব্যৱস্থা কৰা হ'ব। *১০ পৃষ্ঠাত*



# জৈৱিক কৃষিত গুৰুত্ব দিবলৈ আহ্বান ৰাজ্যিক কৃষক মৰ্চাৰ সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্যৰ



**ৰমেন ভৰালী, বংশৰ ঃ** ভাৰতীয় জনতা পাৰ্টীৰ অসম প্ৰদেশ কৃষক মৰ্চাৰ উদ্যোগত আৰু ওদালগুৰি জিলা কৃষক মৰ্চা তথা কৃষি বিভাগৰ সহযোগত ওদালগুৰি জিলাৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত যোৱা ১৯ আগষ্টত এক বিশাল কৃষক সজাগতা সভা ও মত-বিনিময় অনুষ্ঠান অনুষ্ঠিত কৰা হয়। আধুনিক কৃষি পদ্ধতিৰ ব্যৱহাৰ তথা কৃষি আৰু কৃষকৰ উন্নয়ন, বজাৰ উন্নয়ন আৰু কৃষকসকলৰ বিভিন্ন অভাৱ অভিযোগ, সমস্যাসমূহ মূল বিষয় হিচাপে আগত ৰাখি এক সজাগতামূলক সভা অনুষ্ঠিত কৰা হয়। ভাৰতীয় জনতা পাৰ্টীৰ অসম কৃষক মৰ্চাৰ ৰাজ্যিক সভাপতি পংকজ বৰবৰাৰ সভাপতিত্বত অনুষ্ঠিত সজাগতা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কৃষকসকলে সমাজলৈ অন্ন যোগান ধৰাৰ উপৰি অসমীয়া সমাজৰ ৰীতি-নীতিসমূহ জীয়াই ৰাখিছে বুলি উল্লেখ কৰে। সজাগতা সভাত অসম ৰাজ্যিক কৃষক মৰ্চাৰ ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্যই অংশগ্ৰহণ কৰি ৰাজ্য চৰকাৰে কৃষকসকলৰ বাবে লোৱা বিভিন্ন আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰে। তেওঁ ভাষণত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ কৃষকসকলৰ বাবে লোৱা পদক্ষেপসমূহ কি ধৰণে ৰাইজে লাভ কৰিব, সেই বিষয়ে উল্লেখ কৰে। কৃষক মৰ্চাই সমগ্ৰ ৰাজ্যখনতে কৃষি বিভাগৰ সহযোগত এইধৰণৰ সজাগতা সভাৰ আয়োজন কৰা বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ লগতে কৃষক মৰ্চাই অসমত মৌ পালনৰ বাবে *১০ পৃষ্ঠাত*

# গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ সদ্যজাত কেঁচুৱাৰ বিশেষ যতন কক্ষ পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

## সদ্যজাত কেঁচুৱাৰ দুৰ্ভাগ্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত তিনিজনীয়া তদন্ত সমিতি গঠন মুখ্যমন্ত্ৰীৰ

**দিছপুৰ ঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ সদ্যজাত কেঁচুৱাৰ বিশেষ যতন কক্ষত এটি কেঁচুৱাৰ দুৰ্ভাগ্যজনক মৃত্যুৰ বাতৰি পাই ঘটনাৰ সবিশেষ অৱগত হোৱাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হাস্পতালখনত উপস্থিত হৈ সদ্যজাত কেঁচুৱাৰ বিশেষ যতন কক্ষ পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ আৰু চিকিৎসকলৰ সৈতেও এই সন্দৰ্ভত আলোচনা কৰে। পৰিদৰ্শনৰ অন্তত মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত অৱগত কৰে যে চিকিৎসা মহাবিদ্যালয়খনত পৰ্যাপ্ত পৰিমাণৰ যন্ত্ৰপাতি তথা সা-সঁজুলি থকা স্বত্বেও এনে ধৰণৰ ঘটনা সংঘটিত হোৱাতো দুৰ্ভাগ্যজনক। এনে ধৰণৰ অবাঞ্চিত ঘটনাই গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ প্ৰতিষ্ঠা আৰু গৰিমাৰ সৈতে খাপ নাখায় বুলি



উল্লেখ কৰি তেওঁ যে সমস্ত ঘটনা সন্দৰ্ভত অনুসন্ধান কৰিবৰ বাবে এটি তিনিজনীয়া তদন্ত সমিতি গঠন কৰা হৈছে। ৰাজ্য চৰকাৰৰ *১০ পৃষ্ঠাত*

## অসম সাহিত্য সভাৰ উদ্যোগত গুৱাহাটীত কাব্য কাকলি অনুষ্ঠান

# কবিসকল প্ৰজাপতি স্বৰূপ ঃ বসন্ত কুমাৰ গোস্বামী



**ৰমেন ভৰালী, বংশৰ ঃ** 'কবিসকল প্ৰজাপতি স্বৰূপ'। কবিসকলে শব্দৰ যোগেদি জগতৰ অনুসন্ধান কৰে। মই কবিতা লিখিব নোৱাৰোঁ। কিন্তু কবিতা পঢ়িব জানো। প্ৰথম চাৰিটা শাৰী পঢ়িলেই ভাল কবিতা, বেয়া কবিতাৰ কথা সকলো গম পাই যাওঁ- যোৱা ১৯ আগষ্টত অসম সাহিত্য সভাৰ কবি সন্মিলন উপসমিতিৰ উদ্যোগত গুৱাহাটীৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত অনুষ্ঠিত হোৱা 'কাব্য কাকলি' শীৰ্ষক অনুষ্ঠানত উদ্বোধক *১০ পৃষ্ঠাত*

# ডিব্ৰুগড়ত অসম সাহিত্য সভাৰ মৈত্ৰীবন্ধন উপ-সমিতিৰ গুৰুত্বপূৰ্ণ বৈঠক

## দেশে-বিদেশে মৈত্ৰীবন্ধন শক্তিশালী কৰাত গুৰুত্ব ড° বসন্ত কুমাৰ গোস্বামীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক ১০ আগষ্টৰ সন্ধ্যা ৭.৩০ বজাত অনলাইন মাধ্যমত অনুষ্ঠিত হয়। অনুষ্ঠানত মৈত্ৰীবন্ধনৰ হৈ যোৱা কাৰ্যসূচী আৰু ভৱিষ্যত পৰিকল্পনাসম্পৰ্কে আলোচনা কৰা হয়। সভাত অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে মৈত্ৰীবন্ধন উপ-সমিতিয়ে যিদৰে কাম-কাজ কৰি গৈছে সেয়া সন্তোষ প্ৰকাশ কৰি কয়- মৈত্ৰীবন্ধন উপ-সমিতিয়ে দেশে-বিদেশে ভাষা, সাহিত্য, সংস্কৃতি উত্তৰণৰ দিশে কাম কৰি গ'লে অসমীয়া জাতিয়ে নিশ্চিতভাৱে প্ৰাণ পাই উঠিব। অসমীয়া জাতিক শক্তিশালী কৰিবলৈ হ'লে বিভিন্ন জাতি, ধৰ্ম, বৰ্ণৰ স'তে সম্পৰ্ক কটকটীয়া কৰা প্ৰয়োজন আৰু অসমীয়া জাতিক পৃথিৱীৰ বিভিন্ন প্ৰান্তত জিলিকাই তুলিবলৈ সকলোৱে প্ৰচেষ্টা চলোৱা প্ৰয়োজন। দেশে-বিদেশে অসম সাহিত্য সভাৰ শাখা মুকলি কৰি ভাষা-সাহিত্যৰ চৰ্চা অব্যাহত ৰাখিবলৈ তেওঁ আহ্বান জনায়। সমিতিৰ সহ-আহ্বায়ক ড° সীমান্ত বৰুৱাই আঁত ধৰা সভাখনিত চিৰচেনেহী মোৰ ভাষা জননী গীত পৰিৱেশন কৰা হয়। সহ আহ্বায়ক মনজিত গোহাঁয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত ৰুমা হাজৰিকা, ড° সুৰজিৎ বৰকটকী, গুন ভুঞা, ৰমেশ চন্দ্ৰ কাকতি, ড° যোগেন চন্দ্ৰ কলিতাকে ধৰি আন বহুকেইজনে পৰামৰ্শ আগবঢ়ায় আৰু মৈত্ৰীবন্ধনৰ ভৱিষ্যত পৰিকল্পনা সম্পৰ্কে আলোচনা কৰে। সমিতিৰ আহ্বায়ক ড° শশীকান্ত শইকীয়াই পৰিচালনা কৰা সভাত কাৰ্যকৰী সভাপতি ড° যোগেন চন্দ্ৰ কলিতা আৰু ড° সুৰজিৎ বৰকটকীয়ে ক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বিদেশী ছাত্ৰ-ছাত্ৰীসকলৰ স'তে এক মননশীল মৈত্ৰীবন্ধন কাৰ্যসূচী গ্ৰহণ কৰিব বুলি কয়। সভাত বিভিন্ন জনগোষ্ঠীয় সংগঠনৰ স'তে বুজাবুজি চুক্তি, সাংস্কৃতিক কাৰ্যসূচী আৰু দেশৰ বিভিন্ন ৰাজ্যৰ লগতে বিদেশতো মৈত্ৰীবন্ধন কাৰ্যসূচী সম্পন্ন কৰাৰ সিদ্ধান্ত লোৱা হয়। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় সহ-আহ্বায়ক ড° সীমান্ত বৰুৱাই।

# বিশিষ্ট শিক্ষাবিদ, সমাজসেৱক, অৱসৰী কৃতি শিক্ষক, ধৰ্মপ্ৰাণ ব্যক্তি মদন চন্দ্ৰ বৰাৰ জীৱনাৱসান



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ নিজ কঠিয়াতলীৰ জুমৰমুৰ নিবাসী বিশিষ্ট শিক্ষাবিদ, সমাজসেৱক, ধৰ্মপ্ৰাণ ব্যক্তি তথা কৃতি শিক্ষকৰ বঁটাপ্ৰাপ্ত অৱসৰী প্ৰধান শিক্ষক মদন চন্দ্ৰ বৰাৰ নগাঁৱৰ এখন চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি ঘটে। জানিব পৰা মতে, যকৃত, মধুমেহ আৰু শ্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত হৈ থকা বৰাক কিছুদিনৰ পূৰ্বে হঠাতে অসুস্থ হৈ পৰাত নগাঁৱৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও শুকুৰবাৰে চিকিৎসাধীন অৱস্থাতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৫ বছৰ। সুদীৰ্ঘ কাল ধৰি সুখ্যাতিৰে শিক্ষকতা কৰি ২০২০ চনত স্থানীয় জুমৰমুৰ মিলন বিদ্যাপীঠ হাইস্কুলৰ পৰা প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰা বৰাই নিজৰ দায়িত্ব আৰু কৰ্তব্য নিষ্ঠাৰে সম্পাদন কৰি কৰ্মৰত শিক্ষানুষ্ঠানৰ লগতে স্থানীয় অঞ্চলত এটি সুন্দৰ সুস্থিৰ শৈক্ষিক পৰিৱেশ গঢ়ি তুলিবলৈ সক্ষম হোৱাৰ বিপৰীতে নিজৰ কৰ্মদক্ষতাৰ স্বীকৃতিস্বৰূপে কৃতি শিক্ষকৰ বঁটা লাভ কৰিছিল। পবিত্ৰ শিক্ষাবৃত্তিত জড়িত থাকিও সমাজ জীৱনৰ লগত নিবিড়ভাৱে সংপৃক্ত হৈ থকা বৰাই নগাঁও জিলা হাইস্কুল শিক্ষক সংস্থাৰ সভাপতি, জুমুৰমুৰ আঞ্চলিক খেল পৰিচালনা সমিতিৰ সভাপতি, চি পি আই এমৰ নগাঁও জিলাৰ সম্পাদক, কঠিয়াতলী কেন্দ্ৰীয় ৰঙালী বিহু উদ্যাপন সমিতিৰ সভাপতিৰ দৰে গুৰু দায়িত্ব নিয়াৰিকৈ পালন কৰিছিল। নিজ কঠিয়াতলী শাখা সাহিত্য সভাৰ আজীৱন সভ্য বৰাই বৃহত্তৰ অঞ্চলটোৰ প্ৰায়বোৰ সামাজিক, সাংস্কৃতিক, শৈক্ষিক আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থাকি একাগ্ৰতাৰে সমাজৰ হকে সেৱা আগবঢ়াই আহিছিল। বহু গুণধাৰী সমাজ সচেতন ব্যক্তি বৰাৰ এনে বিয়োগত স্থানীয় অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুৰ পিছতেই নগাঁও জিলা হাইস্কুল শিক্ষক সংস্থা আৰু কৰ্মচাৰী পৰিষদৰ বিষয়ববীয়া চিকিৎসালয়ত উপস্থিত হয় আৰু কৃতি শিক্ষকগৰাকীৰ নশ্বৰদেহ চিকিৎসালয়ৰ পৰা পোনে পোনে নগাঁও জিলা হাইস্কুল শিক্ষক সংস্থাৰ শিক্ষা ভৱনলৈ লৈ যোৱা হয়। তাত সংস্থাৰ বিষয়ববীয়া আৰু শতাধিক শিক্ষক-কৰ্মচাৰীয়ে একালৰ সহকৰ্মীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ইয়াৰ পিছত বৰাৰ নশ্বৰদেহ প্ৰতিষ্ঠা কালৰে পৰা অৱসৰ পৰ্যন্ত সেৱা আগবঢ়োই অহা নিজৰ কৰ্মস্থলী জুমৰমুৰ মিলন বিদ্যাপীঠ হাইস্কুললৈ নিয়া হয় আৰু তাত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। পৰৱৰ্তী পৰ্যায়ত সমাজহিতৈষী শিক্ষাব্ৰতী ব্যক্তি বৰাৰ নশ্বৰদেহ নিজ বাসগৃহলৈ লৈ যোৱাৰ পিছত এক শোকাকুল পৰিৱেশত বহু শুভাকাংক্ষী আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিয়ে শ্ৰদ্ধাঞ্জলি নিবেদি তেওঁলৈ অন্তিম বিদায় জনায়। ইফালে, সৎ, অমায়িক আৰু সৰল মনৰ সৰবহী ব্যক্তি বৰাৰ বিয়োগত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে। তেওঁ মৃত্যুৰ সময়ত পত্নী, এজন পুত্ৰ, দুগৰাকী কন্যা, জোঁৱাই, নাতি, নাতিনীসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়।

# মাণিকপুৰত ধুমুহাৰ ফলত বিধ্বস্ত ক্ষতি



**মাণিকপুৰ ঃ** পুৱতি নিশা বঙাইগাঁও জিলাত হঠাতে অহা ধুমুহাই বিভিন্ন অঞ্চলত আতংকময়ৰ সৃষ্টি কৰে। বিশেষকৈ মাণিকপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ১ নং ঝাউবাৰী গোঁসাইপাৰা গাঁৱত প্ৰকৃতিৰ এই কালৰূপে গুৰুতৰ ক্ষতি সাধন কৰে। ৰাতিপুৱা অনুমানিক প্ৰায় ৪ বজাৰ পৰা আৰম্ভ হোৱা বৰষুণ আৰু ধুমুহাৰ প্ৰচণ্ড ঘূৰ্ণিবতাহৰ ফলত চন্দন কলিতা নামৰ গৃহত এডাল প্ৰকাণ্ড গছ ভাঙি পৰে। ফলত তেখেতৰ বাসগৃহ নিমিষতে চিৰ্ণ-বিচ্ছুৰ্ণ হৈ পৰে আৰু সৌভাগ্যৱশতঃ এই ঘটনাত কোনো লোকৰ প্ৰাণহানি হোৱা নাই। তথাপি পৰিয়ালটোৱে গুৰুতৰ আঘাত আৰু অৰ্থনৈতিক ক্ষতি ভোগ কৰিবলগীয়া হৈছে। স্থানীয় লোকসকলে একত্ৰিত হৈ তৎক্ষণাৎ সহায়-সহযোগৰ হাত আগবঢ়ায় আৰু ভগ্নাৱশেষ অপসাৰণত অংশ লয়। বৰ্তমান পৰিয়ালটোৱে প্ৰশাসনিক সাহায্য আৰু ক্ষতিপূৰণৰ প্ৰত্যাশা কৰিছে। স্থানীয় লোকসকলে কয় যে - "এই ধৰণৰ ধুমুহাই প্ৰতিবছৰে গাঁও-চহৰত ভয়ংকৰ পৰিস্থিতি সৃষ্টি কৰি আহিছে। প্ৰশাসনে আগতীয়াকৈ প্ৰয়োজনীয় সাৱধানবাণী আৰু সাহায্যৰ ব্যৱস্থা কৰিলে বহু পৰিয়াল তথা ৰাইজ বিপদৰ পৰা ৰক্ষা পাব।"

# কামৰূপ সাংবাদিক ঐক্য মঞ্চৰ ষষ্ঠ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস সম্পন্ন

## লোক কৃষ্টিয়েই জাতিৰ পৰিচয় ৰক্ষা কৰে ঃ প্ৰকাশ চন্দ্ৰ দাস

**প্ৰবীণ কুমাৰ দাস, গুৱালকুছি ঃ** কামৰূপ সাংবাদিক ঐক্য মঞ্চৰ ষষ্ঠ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত আলোচনা চক্ৰৰ লগতে বঁটা প্ৰদান আৰু সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। কামৰূপ সাংবাদিক ঐক্য মঞ্চৰ প্ৰতিষ্ঠা দিৱসৰ লগতে ছাত্ৰ-ছাত্ৰী তথা নৱ প্ৰজন্মৰ বৌদ্ধিক বিকাশৰ উদ্দেশ্যৰে অনুষ্ঠিত কৰা হয় এখন আলোচনা-চক্ৰ। বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিদ্যালয়ৰ অধ্যক্ষ আজিত কুমাৰ বৈশ্যৰ সভাপতিত্বত 'সাম্প্ৰতিক সময়ত অসমৰ থলুৱা কৃষ্টি-সংস্কৃতিৰ প্ৰতি নৱ প্ৰজন্মৰ আগ্ৰহ, সংবাদ মাধ্যম আৰু সমাজৰ ভূমিকা' শীৰ্ষক আলোচনা-চক্ৰ অনুষ্ঠিত হয়। আলোচনাচক্ৰখনিত আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰে জনপ্ৰিয় টিভি এংকৰ এন কে টিভিৰ প্ৰাচৰ সাংবাদিক পাৰ্থ প্ৰতিম শৰ্মা, প্ৰতিদিন টাইমৰ এংকৰ তথা অনুষ্ঠান পৰিবেশিকা সাংবাদিক হিমাক্ষী বৰুৱাৰ লগতে অতিথি হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট সমাজ সেৱক প্ৰকাশ দাস। সভাত অংশগ্ৰহণ কৰি তেওঁ কয় যে লোক কৃষ্টি হৈছে জাতিৰ পৰিচয় বা এটা জাতিৰ ৰক্ষা কৰে। আমাৰ নৱপ্ৰজন্মই মাতৃভাষা আৰু লোক কৃষ্টিৰ সাধনাৰ লগতে প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে জাতীয় দায়িত্ব পালন কৰিব পাৰিব লাগিব। কামৰূপ সাংবাদিক ঐক্য মঞ্চই প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা আলোচনা বিষয়টি সময় উপযোগী হোৱা বুলিও মন্তব্য কৰে। বিশিষ্ট যুৱ সমাজ কৰ্মী ৰাজীৱ দাসে সভাত অংশগ্ৰহণ কৰি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত গ্ৰীণ অস্কাৰ বঁটা প্ৰাপ্ত, বিশিষ্ট সমাজকৰ্মী, হাড়গিলা আৰ্মী ৰূপে খ্যাত ড° পূৰ্ণিমা দেৱী বৰ্মনক বিশেষভাৱে সম্বৰ্ধনা জনোৱাৰ লগতে, বিশিষ্ট সাংস্কৃতিক কৰ্মী, অভিনেত্ৰী ৰূপা বৰকটকীক গণ শিল্পী বীৰেন দাস স্মাৰক সাংস্কৃতিক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত সমাজকৰ্মী দিবাকৰ কলিতা, হেমন্ত কলিতা, গাঁওপ্ৰধান কেশৱ বৈশ্য, সমাজ কৰ্মী হৰ্ষবৰ্ধন কাশ্যপ আদি উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত আছু নেতা ৰিংকুমণি দাস, নয়ন মণি বণিয়া, বিকাংক দাসৰ লগতে বংশৰ আৰু দদৰাৰ আই মাতৃ সংগঠনৰ সদস্য, হাড়গিলা আৰ্মী সদস্য তথা অঞ্চলটোৰ জ্যেষ্ঠ সাংবাদিকসকলৰ লগতে বহুকেই গৰাকী গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

# চকলাঘাটত সোণাইপৰীয়া শিল্পী মঞ্চৰ ব্যতিক্ৰমী অনুষ্ঠান

## সুমধুৰ গীত-মাতেৰে উজ্বলিল শাওণৰ প্ৰাণোজ্জল এটি সন্ধ্যা



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ সোণাই নদীৰ পাৰৰ এক বৃহত্তৰ অঞ্চলৰ শিল্পীসকলৰ প্ৰচেষ্টাত সামাজিক তথা সাংস্কৃতিক ক্ষেত্ৰখনৰ উৎকৰ্ষ সাধনৰ সংকল্পৰে গঠিত 'সোণাইপৰীয়া শিল্পী মঞ্চ'ই প্ৰতিষ্ঠা কালৰে পৰা বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। ইয়াৰ অংশহিচাপে জিলাখনৰ চকলাঘাটৰ ক্ষেত্ৰীগাঁওস্থিত চলিত বৰ্ষৰ সোণাইপৰীয়া বঁটা প্ৰাপক, প্ৰবীণ শিল্পী দেৱ কুমাৰ বৰাৰ বাসগৃহত সোণাইপৰীয়া শিল্পী মঞ্চৰ দ্বাৰা ব্যতিক্ৰমী ৰূপত এক 'জলচা' অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সোণাইপৰীয়া শিল্পী মঞ্চৰ শিল্পীসকলৰ লগতে বহুকেইগৰাকী আমন্ত্ৰিত শিল্পী আৰু বিশিষ্ট ব্যক্তিৰ উপস্থিতিৰে আয়োজিত উক্ত অনুষ্ঠানটি সুমধুৰ গীত-মাতেৰে জীপাল হৈ পৰাৰ সমান্তৰালকৈ পবিত্ৰ শাওণ মাহৰ প্ৰাণোজ্জল সন্ধ্যাটি উজ্বলি উঠা দেখা যায়। বিশিষ্ট নাট্যকাৰ, পৰিচালক গম্ভীৰ শইকীয়াই শুভ উদ্বোধন কৰা মনোগ্ৰাহী অনুষ্ঠানটিত সংগীত শিল্পী দিপাংক গিৰি দেৱ গোস্বামী, পংকজ নাথ, ভাস্কৰ পাটৰ, কানু কন্দলি, জিতু শ্ৰাৱণ, তেজকমল বৰদলৈ, কৃতাঞ্জল বৰা, প্ৰণামী বৰা, প্ৰকাশ মুদৈ আদিয়ে সুললিত কণ্ঠৰে গীত পৰিৱেশন কৰি সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলে। ইয়াৰ বিপৰীতে বাদ্যযন্ত্ৰী পংকজ মুদৈ, মুকুল বৰা, অক বৰা, বিনয় গোস্বামী, জ্ঞানদ্বীপ বৰা, কাঞ্চন বৰদলৈ আৰু পিংকু শৰ্মাই বাদ্য সংগত কৰি অনুষ্ঠানটিক অধিক গতিশীলতা প্ৰদান কৰে। সোণাইপৰীয়া শিল্পী কানু কন্দলিয়ে সাৱলীলভাৱে আঁত ধৰা অনুষ্ঠানটিত প্ৰবীন শিল্পী ক্ষিতেশ্বৰ বৰা, পুতুল শইকীয়া, কবি সঞ্জীৱ সাগৰ চৌধুৰী, শিক্ষক শোণিত ৰঞ্জন হাজৰিকা, জ্যোতি প্ৰসাদ বৰা, সমাজকৰ্মী কল্যাণ বৰা, মানস শইকীয়া, মাধৱ ভুঞা, সুশীল ডেকা, ৰাজু বৰা, কিশোৰ শইকীয়া, সৌৰভ গোস্বামী, ভাস্কৰ পাটৰ আদি বহু লোক উপস্থিত থাকে।

# অসমীয়াৰ কৃষ্টি-সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ ঃ তামোল-পাণ

■ চিন্ময় অনুৰাগ নাথ
মাণিকপুৰ, বঙাইগাঁও

অসমীয়া সমাজ আৰু সংস্কৃতিৰ সৈতে নিবিড়ভাৱে জড়িত বহুতো ঐতিহ্য আছে, যিবোৰে যুগ যুগ ধৰি অসমৰ জনজীৱন, আচাৰ-অনুষ্ঠান আৰু দৈনন্দিন প্ৰবৃত্তিৰ লগত জড়িত হৈ আছে। এইবোৰৰ ভিতৰত তামোল-পাণ হৈছে অসমীয়া কৃষ্টি-সংস্কৃতিৰ এক অমূল্য অংশ। তামোল-পাণ কেৱল এবিধ খাদ্য-বস্তু নহয়, ই অসমীয়াৰ আতিথ্য, সৌজন্যতা, ধৰ্মীয় আচাৰ আৰু সামাজিক পৰম্পৰাৰ এক গভীৰ প্ৰতীক স্বৰূপ।

**তামোল-পাণৰ ঐতিহাসিক পৰ্যায়**

অসমত তামোল আৰু পাণ খোৱাৰ প্ৰচলন বহুকালৰ পৰাই বিদ্যমান। ইতিহাসবিদসকলে উল্লেখ কৰিছে যে আহোমসকলৰ শাসনকালত ৰাজকীয় অনুষ্ঠানত অতিথিস্বৰূপে তামোল-পাণ আগবঢ়োৱা হ'ল এটা সামাজিক নিয়ম আছিল। ইয়াৰ পূৰ্বেও কামৰূপ ৰাজ্যত পূজা-পাৰ্বণত আৰু ৰাজনৈতিক মেল-বৈঠকত তামোল-পাণৰ প্ৰয়োগ দেখা পোৱা যায়। অসমত আগতে অপৰুতা নামৰ এটা বিশেষ জাতীয় তামোল খোৱা হ'ল এক ৰুচিশীলতা বুলি গণ্য কৰা হৈছিল।

**আতিথেয়তা আৰু সামাজিক আচাৰ**

অসমীয়াৰ অতিথিসকলক সম্ভাষণ জনোৱাৰ এটি অপৰিহাৰ্য অংশ হৈছে তামোল-পাণ আগবঢ়োৱা। কোনোবা ব্যক্তিৰ ঘৰলৈ গ'লে অতিথিক সাদৰ স্বাগতম জনাবলৈ, কাৰোবাৰ সৈতে একতা স্থাপন কৰিবলৈ বা কোনো বিশেষ কাৰ্যসূচীত অংশগ্ৰহণৰ পূৰ্বে তামোল-পাণ আগবঢ়োৱা হয়। "তামোলতো বাঢ়ে কথা" এই পৰম্পৰাগত কথাষাৰে প্ৰমাণিত হয় যে, তামোল-পাণ মানুহৰ মাজত সম্পৰ্ক বৃদ্ধিত সহায় কৰে।

সদায় কোৱা হয় যে 'পাণ তামোলৰ গাঁঠিত আলাপ বাঢ়ে'- অৰ্থাৎ, তামোল-পাণৰ মাজেৰে আলোচনা, সম্পৰ্ক আৰু বন্ধুত্ব অধিক দৃঢ় হয়। অসমীয়া সমাজত পৰম্পৰাগতভাৱে বিবাহ, নাম-কৰণ, গৃহপ্ৰৱেশ, ভেটি স্থাপন আদি অনুষ্ঠানত তামোল-পাণৰ বিশেষ ভূমিকা থাকে।

**ধৰ্মীয় আৰু আধ্যাত্মিক ক্ষেত্ৰত তামোল-পাণৰ প্ৰয়োগ**

অসমীয়া ধৰ্মীয় সংস্কৃতিৰ লগতো তামোল-পাণ নিবিড়ভাৱে জড়িত। বিশেষকৈ সত্ৰীয়া ধৰ্মীয় অনুষ্ঠানত, শংকৰদেৱ-অনুসাৰী নামঘৰৰ কীৰ্তন, যজ্ঞানুষ্ঠান, শ্ৰাদ্ধ, দেৱ-দেৱীৰ পূজাত তামোল-পাণ দান কৰা হয়। বিহু, দেউলপূজা, শিৱপূজা, মণিকূট-উৎসৱ আদিতো তামোল-পাণৰ বিশেষ প্ৰয়োগ দেখা যায়।

ব্ৰাহ্মণ্য ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ লগত একেলগে বৈষ্ণৱ ধৰ্মীয় প্ৰথাতো তামোল-পাণ আগবঢ়োৱাটো এক সামাজিক তথা ধৰ্মীয় পৰম্পৰা হিচাপে গণ্য কৰা হয়। সত্ৰীয় মঠ-মন্দিৰত বা নামঘৰত তামোল আগবঢ়োৱাটো সন্মান, আদৰ আৰু ভক্তিৰ প্ৰতীক।

**স্বাস্থ্যৰ ক্ষেত্ৰত তামোল-পাণ**

তামোল-পাণৰ নানা ধৰণৰ প্ৰাকৃতিক গুণ আছে। পাণৰ পাতত ভিটামিন এ, ভিটামিন বি-কমপ্লেক্স, ভিটামিন চি, কেলচিয়াম, আয়ৰন, আৰু এণ্টিঅক্সিডেণ্ট থাকে, যিয়ে স্বাস্থ্যৰ বাবে উপকাৰী। তামোলত অলপ পৰিমাণে এক্কেলয়ড থাকিলেও, ই পাচন-প্ৰক্ৰিয়া সহায় কৰে আৰু জঠৰ ৰোগৰ উপশম কৰিব পাৰে।

যদিও অতিপ্ৰচলিত ৰূপত অসমীয়াই তামোল-পাণ খাদ্য হিচাপে গ্ৰহণ কৰে, অতিৰিক্ত পৰিমাণে খালে



ইয়াৰ বিভিন্ন ক্ষতিকাৰক প্ৰভাৱ থাকিব পাৰে। বিশেষকৈ তামোলৰ সৈতে চুন, চুপাৰী বা গুটখা জাতীয় পদাৰ্থ ব্যৱহাৰ কৰিলে মুখগহ্বৰ ৰোগ, দাঁতৰ সমস্যা বা কেঞ্চাৰৰ আশংকা বৃদ্ধি পায়।

অসমীয়াৰ সমাজ জীৱনত তামোল-পাণ কেৱলমাত্ৰ এবিধ খাদ্য নহয়; ই সামাজিক, ধৰ্মীয় আৰু সাংস্কৃতিক পৰম্পৰাৰ এক অবিচ্ছেদ্য অংশ। আতিথেয়তা, ধৰ্মীয় অনুষ্ঠান, সামাজিক বন্ধন, আৰু পৰম্পৰাগত কৃষ্টি-সংস্কৃতিৰ সাঁজুলি হিচাপে তামোল-পাণৰ এক গভীৰ তাৎপৰ্য আছে। যদিও বৰ্তমান সময়ত ইয়াৰ ব্যৱহাৰত কিছুমান স্বাস্থ্যগত চিন্তা-চিন্তাও আছে, তথাপিও অসমীয়াৰ সংস্কৃতিৰ এক ঐতিহ্যবাহী প্ৰতীক হিচাপে তামোল-পাণে কেতিয়াও নিজৰ স্বাতন্ত্ৰ্যতা হেৰুৱাব নোৱাৰে।

ম'বাইল ঃ ৬০০০৫-০৪০২৪

# কলিয়াবৰত ৰাষ্ট্ৰীয় বিজ্ঞান মনস্কতা দিৱস পালন

**জয়ন্ত বৰা, কলিয়াবৰ ঃ** ইলোৱা বিজ্ঞান মঞ্চৰ কলিয়াবৰ শাখাৰ উদ্যোগত পশ্চিম পুৰথৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞান মনস্কতা দিৱস পালন কৰা হয়। ইলোৱা বিজ্ঞান মঞ্চৰ কলিয়াবৰ শাখাৰ সম্পাদক জয়ন্ত বৰাই আঁত ধৰা সভাখনৰ সভাপতিত্ব কৰে ভূপেন শৰ্মাই। অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে যুঁজ দি ২০১৩ চনৰ ২০ আগষ্ট তাৰিখে আততায়ীৰ হাতত মৃত্যুবৰণ কৰা ডাঃ নৰেন্দ্ৰ ডাভোলকাৰৰ স্মৃতিত আয়োজন কৰা এই বিজ্ঞান মনস্কতা দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে কলিয়াবৰ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক পৰাগ দাহালে। মুখ্য বক্তা জ্যেষ্ঠ চিকিৎসক ডাঃ হৰেন কুমাৰ বৰাই বিজ্ঞান মনস্কতা সন্দৰ্ভত বক্তৃতা প্ৰদান কৰে। তেখেতে সমাজত প্ৰচলিত অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ পৰা মুক্ত হ'বলৈ সকলোকে আহ্বান জনায়। অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী জোনটি বৰুৱা আৰু পশ্চিম পুৰথৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অৰুণী বৰায়ো চমু ভাষণ ৰাখে। শ্ৰীবৰাই এনে সজাগতামূলক সভা গ্ৰামাঞ্চলৰ ৰাইজৰ মাজলৈ নিবলৈ আহ্বান জনায়। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হেমচন্দ্ৰ মুক্তিয়াৰ, কলিয়াবৰ শাখা বিজ্ঞান সমিতিৰ সভাপতি গোলাপ চন্দ্ৰ শইকীয়াকে ধৰি বিদ্যালয়খনিৰ সমূহ শিক্ষক আৰু শিক্ষাৰ্থীৰ উপস্থিতিত সভা সফলতাৰে সম্পন্ন হয়। দিৱসটিৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কৰা ৰচনা প্ৰতিযোগিতাত বঁটাপ্ৰাপকসকলক মানপত্ৰ, গ্ৰন্থ আৰু কলমেৰে পুৰস্কৃত কৰা হয়।




# জাতি গঠন প্ৰক্ৰিয়া আৰু প্ৰজন্মৰ চিন্তা

■ ফুকন কৈৱৰ্ত
ৰামপুৰ, কামৰূপ, অসম।

পৃথিৱীৰ জীৱবোৰৰ ভিতৰত মানুহকেই জীৱশ্ৰেষ্ঠ বুলি কোৱা হয়। কিয়নো আন আন জীৱসমূহৰ তুলনাত কেৱল মাত্ৰ মানুহৰহে কথা কোৱাৰ সক্ষমতা আছে। আদিতেই হেনো মানুহবোৰ বান্দৰৰ লেখীয়া আছিল। তাৰ পৰৱৰ্তী পৰ্যায়ত বিৱৰ্তনৰ যোগেদি মানুহে আজিৰ অৱস্থা পাইছে বুলি বহুতেই ক'ব খোজে। সেই সময়ৰ মানুহৰ সভ্যতা আৰু আজিৰ যুগৰ মানুহৰ সভ্যতাৰ মাজত আকাশ-পাতাল প্ৰভেদ দেখা যায়। জীৱক জীৱই ভক্ষণ আৰু জীৱক জীৱই ৰক্ষণ নীতিয়ে সেই সময়ত প্ৰভাৱ বিস্তাৰ কৰিছিল। জীৱনধাৰণৰ বিকল্প ব্যৱস্থা নথকাত মুকলি আকাশৰ তলতেই মানুহবোৰে বাস কৰিছিল। প্ৰকৃতিৰ স'তে একাত্ম হৈ সহাৱস্থান কৰায়েই আছিল জীৱন ধাৰণৰ নিত্য নৈমিত্তিক কাৰ্যচাজি। জুই জ্বলাবলৈ শিলে শিলে ঘহাই জুই জ্বলাইছিল। পিন্ধনৰ বাবে গছৰ পাত, বাকলি আদিয়েই ব্যৱহাৰ কৰিছিল। জাতি গঠন বা শ্ৰেণীবিভাজনৰ কথালৈ মন কৰিলে আমি দেখিম যে প্ৰথমাৱস্থাত প্ৰাণীসমূহক বাসস্থান অনুসৰি শ্ৰেণীবিভাজন কৰা হৈছিল। উৰন, বুৰন, গজন আৰু ভ্ৰমণ এই চাৰিধৰণে জীৱসমূহক ভাগ কৰিছিল। প্ৰকাৰভেদে সকলো জীৱৰে চাল চলনৰ প্ৰভেদ দেখা যায় যদিও বাসস্থানৰ ক্ষেত্ৰত ইয়াৰ মাজত সামঞ্জস্য প্ৰতিভাত হয়। উৰন অৰ্থাৎ উৰি ফুৰিবপৰা প্ৰাণীসমূহক এই শ্ৰেণীত ধৰা হৈছিল। বুৰনৰ অৰ্থ ফঁহিয়াই চালে আমি দেখিম যে কিছু প্ৰাণীয়ে জলত বাস কৰে, তেনে অৰ্থত এই প্ৰাণীসমূহক বুৰনৰ গণ্ডিত ধৰিব পাৰি। ঠিক তেনেদৰে খোজেৰে চলা-ফুৰা কৰা প্ৰাণীসমূহক গজন আৰু এঠাইৰপৰা আন ঠাইলৈ ভ্ৰমি ফুৰা প্ৰাণীসমূহক ভ্ৰমণ এই ধৰণে প্ৰকাৰভেদ দেখুৱাব পৰা যায়।

সময়ৰ অগ্ৰগতিৰ লগে লগে সভ্যতা-সংস্কৃতিৰ বিকাশ হ'বলৈ আৰম্ভ কৰিলে। মানুহবোৰৰ মাজতো শ্ৰেণীবিভাজন সৃষ্টি হ'ল। তদ্ৰূপ কথাটিলৈ মন কৰি কৰ্মৰ ভিত্তিত মানুহৰ মাজত জাতিৰ শ্ৰেণীবিভাজন হ'ল। ব্ৰাহ্মণ, ক্ষত্ৰিয়, শুদ্ৰ আৰু বৈশ্য এই চাৰিধৰণে জাতিৰ পুনৰ গঠন হ'ল।

মানুহে সমাজ পাতি বাস কৰিবলৈ লোৱাৰেপৰা ব্যক্তি বৈষম্যৰ কথাবোৰে পোখালি মেলা আৰম্ভ কৰিলে। উচ্চ নীচ ভেদভাৱে সমাজৰ সংস্কাৰমুখী যাত্ৰাক ৰুদ্ধ কৰি তুলিলে। কৰ্মৰ ওপৰত ভিত্তি কৰি জাতি গঠন প্ৰক্ৰিয়া আৰম্ভ হৈছিল যদিও সময়ৰ পৰিৱৰ্তনৰ লগে জাতিবোৰ নানা উপজাতিলৈ বিস্তাৰিত হ'ল। যাৰ ফলশ্ৰুতিত সমাজৰ বিভিন্নজনৰ মাজত ভেদাভেদৰ এখন বেহু ৰচনা হ'ল। উচ্চ বৰ্ণৰ লোকসকলে নিম্ন বৰ্গৰ বুলি ভবা লোকসকলক অস্পৃশ্য জ্ঞান কৰা হ'ল। এনেবোৰ ধ্যান ধাৰণাৰ সন্নিক্ষণত সমাজবোৰ বহু সমাজলৈ পৰ্যবসিত হ'ল।

শিক্ষা-দীক্ষা, সাহিত্য-সংস্কৃতি আদি বিষয়বোৰত উচ্চ বৰ্ণৰ লোকসকলে আগস্থান পোৱাত নিম্ন বৰ্ণৰ লোকসকল বহুগুণে পিছ পৰি ৰ'ল আৰু ক্ষোভৰ সৃষ্টি হ'ল। এনে কথাবোৰলৈ চাই পৰৱৰ্তী পৰ্যায়ত সংবিধানত সংৰক্ষণ নীতিৰ ব্যৱস্থা কৰিব লগা হ'ল, যাতে কল্যাণকামী ৰাষ্ট্ৰৰ সকলো নাগৰিকেই সমানভাৱে আগুৱাই যাব পাৰে। অৱশ্যে বৰ্তমান সময়ত সমাজ উত্তৰণৰ লগে লগে দেশৰ জনসাধাৰণে মৌলিক অধিকাৰসমূহক বুজি উঠি নিজকে সমাজতন্ত্ৰত পূৰ্ণ ব্যক্তিত্বৰ অধিকাৰী হ'বলৈ অহোপুৰুষাৰ্থ কৰা দেখা গৈছে।

সমাজমুখী চিন্তা-চেতনাৰে সমাজৰ উৰ্ধমুখী যাত্ৰাই গতি কৰিছে যদিও আজি পৰ্যন্ত কিন্তু কিছু সমাজত উচ্চ-নীচৰ ভেদাভেদ, সংকীৰ্ণ মনোভাৱ, সৰু মানুহ-ডাঙৰ মানুহ এনেধৰণৰ কথাবোৰে বাতৰিৰ শিৰোনাম দখল কৰি থাকে। আমি এটা কথা উপলব্ধি কৰি চাব জানিব লাগিব যে, কৰ্ম বা বৃত্তিৰ লগত জাতি-বৰ্ণৰ শ্ৰেণীবিভাজনৰ কথা আহিব নালাগে। কিয়নো বৃত্তি পিতৃপ্ৰদত্ত বা জন্মগত নহয়। এচাম মানুহে বৃত্তিসমূহক পিতৃপ্ৰদত্ত বুলি ভুল কৰি অহা দেখা যায়। উদাহৰণস্বৰূপে শিক্ষকৰ পুতেক শিক্ষক, কৃষকৰ পুতেক কৃষক হ'ব বুলি কোনো মানে নাই।

জাতি গঠন প্ৰক্ৰিয়া আৰু আজিৰ প্ৰজন্মৰ চিন্তাকৰ্ষক দৃষ্টিভংগীবোৰ বিশ্লেষণ কৰিলে আমি বুজি উঠিম যে পৃথিৱীত প্ৰাণীসমূহৰ মাজতহে প্ৰজাতিৰ প্ৰকাৰভেদ আছে। আমি যদি এই কথাবোৰ ফঁহিয়াই চাও তেতিয়াহ'লে পৃথিৱীৰ সকলো মানুহেই এক প্ৰজাতি। এনে যোগাত্মক ধ্যান ধাৰণাৰে আমি যদি সমাজখনক আগুৱাই নিব পাৰো তেতিয়াহে আমি এখন সৰ্বাংগসুন্দৰ পৃথিৱীৰ আশা কৰিব পাৰিম। আমাৰ মাজত থকা উচ্চ-নীচ ভেদভাৱ আঁতৰাই সমিল মিলেৰে জীৱন জীয়াব আৰু নিয়াব পাৰিলেহে আমি আমাৰ জীৱনবোৰক সাৰ্থক কৰি তুলিব পাৰিম।

ম'বাইল ঃ ৯৬১৩৪-৯১৪৮৯

# সদৌ অসম কৈৱৰ্ত্ত যুৱ-ছাত্ৰ সন্মিলন আৰু অসম অনুসূচিত জাতি যুৱ-ছাত্ৰ সন্থাৰ জৰুৰী বৈঠক

## ডিব্ৰুগড় ডি আৰ ডি এ সভাকক্ষত ১১টা দাবীলৈ




**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড়ত সদৌ অসম কৈৱৰ্ত যুৱ-ছাত্ৰ সন্মিলন আৰু অসম অনুসূচিত জাতি যুৱ-ছাত্ৰ সন্থাৰ যৌথ উদ্যোগত এখনি গুৰুত্বপূৰ্ণ জৰুৰী বৈঠক ডিব্ৰুগড়ৰ ডি.আৰ.ডি.এ সভাকক্ষত অনুষ্ঠিত হয়। এই সভাখন সদৌ অসম কৈৱৰ্ত যুৱ-ছাত্ৰ সন্মিলনৰ সভাপতি জয়ন্ত দাসৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সন্মিলনৰ সাধাৰণ সম্পাদক গৌৰীশংকৰ দাসে। দাসে কয় যে শাসনাধিষ্ঠ ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰখনে অনুসূচিত জাতিৰ মূল সমস্যা সমূহৰ কথা আওকাণ কৰি অ-সাংবিধানিকভাৱে কেওট সম্প্ৰদায়ক অনুসূচিত জাতিত অন্তৰ্ভুক্ত কৰিবলৈ লোৱা জাতিধ্বংসী সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰা হৈছে আৰু অনাগত দিনতো বিৰোধিতা কৰি যাব বুলি কয়। স্বাধীনতাৰ ৭৯টা বছৰ অতিক্ৰম কৰাৰ পাছতো সাংবিধানিক সুবিধাৰ পৰা বঞ্চিত হৈছে কৈৱৰ্তসকল। উদাহৰণ স্বৰূপে অসমৰ প্ৰায় সৰু-বৰ ৪০টা জাতি-জনগোষ্ঠীক উন্নয়ন পৰিষদ বা স্বায়ত্ত শাসন দি তেওঁলোকক আগবঢ়াই নিয়াৰ বাবে চৰকাৰখনে পদক্ষেপ গ্ৰহণ কৰিছে। কিন্তু বৰ্তমান চৰকাৰখনে কৈৱৰ্ত যুৱ-ছাত্ৰ সন্মিলনৰ দীৰ্ঘদিনীয়া দাবী কৈৱৰ্ত জনগোষ্ঠীক স্বায়ত্ত শাসন বা উন্নয়ন পৰিষদ দিয়াৰ কথা এবাৰো উচ্চাৰণ নকৰিলে বৰঞ্চ মানুহখিনিক সদায় ভোটবেংকৰ স্বাৰ্থত ব্যৱহাৰ কৰাহে দেখা গৈছে। স্বাধীনতা ৭৯ টা বছৰ অতিক্ৰম কৰাৰ পাছতো সমগ্ৰ অসমৰ গৰিষ্ঠ সংখ্যক কৈৱৰ্তলোকে ভূমিপট্টা নোপোৱাতো অতি দুৰ্ভাগ্যজনক। শ শ বিঘা মাটি সন্দেহজনক লোকৰ হাতত, কিন্তু অসমৰ আটাইতকৈ প্ৰাচীন জনগোষ্ঠী কৈৱৰ্ত সকলে ভূমি অধিকাৰ পাবলৈ সক্ষম নহ'ল। চৰকাৰখনে অতি শীঘ্ৰে এইসকল লোকক ভূমি পট্টা দিবলৈ দাবী জনাইছে। এটা জাতি উন্নতিৰ শীৰ্ষত আহিবলৈ হ'লে শিক্ষাই হৈছে মূলমন্ত্ৰ। সেইবাবে চৰকাৰখনে উচ্চ শিক্ষা গ্ৰহণৰ বাবে অসমৰ কৈৱৰ্ত জনগোষ্ঠী লোকসকলৰ বাবে ৫, শৈক্ষিক কোটা দিয়াৰ বাবে সভাই দাবী জনায়। লগতে অসমৰ প্ৰতিটো বিধান সভা সমষ্টিত কৈৱৰ্ত ভৱন আৰু সতী ৰাধিকা সাংস্কৃতিক কেন্দ্ৰ নিমাৰ্ণ কৰা, কৈৱৰ্ত জনগোষ্ঠীৰ এখন বুৰঞ্জী প্ৰস্তুত কৰাৰ বাবে অসম চৰকাৰৰ পৰা এক কোটি টকা ৰাজসাহাৰ্য প্ৰদানৰ দাবী, কৈৱৰ্ত জনগোষ্ঠীৰ লোকসকল মৎস্য ব্যৱসায়ৰ ওপৰতে নিৰ্ভৰশীল। অসমৰ প্ৰতিখন জিলাত থকা মীন মহল আৰু মাছৰ বজাৰ সমূহ কৈৱৰ্ত জনগোষ্ঠীৰ লোকসকলৰ বাবে সংৰক্ষিত কৰক। কৈৱৰ্ত সকলৰ যিবোৰ কীৰ্তিচিহ্ন আজিও সংৰক্ষণৰ অভাৱত হেৰাই যাব ধৰিছে সেইবোৰ চৰকাৰখনে সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰক। কৈৱৰ্ত জনগোষ্ঠীৰ অধ্যুষিত অঞ্চল সমূহত শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলৰ কৰ্ম সংস্থাপনৰ সুবিধাৰ্থে চৰকাৰী উদ্যোগ গঢ়ি তোলাৰ বাবে কাৰ্যকৰী ব্যৱস্থা কৰিবলৈ দাবী জনোৱা হয়। অসম বিধান সভাত অসমীয়া ভাষী কৈৱৰ্ত জনগোষ্ঠীৰ জনসংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি বিধান সভাৰ আসন কৈৱৰ্ত জনগোষ্ঠীৰ বাবে কাৰ্যকৰী কৰা আৰু লোক সভাৰ এখন আসন অসমীয়া ভাষী কৈৱৰ্ত লোকসলৰ বাবে ব্ৰহ্মপুত্ৰ উপত্যকাত সংৰক্ষিত কৰা, স্বাধীনতাৰ ৭৯ টা বছৰৰ পাছতো অনুসূচিত জাতিৰ পৰা এজনো ৰাজ্য সভাৰ সাংসদ দিয়া নহ'ল আৰু অতি শীঘ্ৰে দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰক চৰকাৰখনে। তাৰোপৰি সমষ্টি পূৰ্ণনিধাৰণত প্ৰকৃততে সাংবিধানিকভাৱে অনুসূচিত জাতিৰ বাবে বিধান সভাৰ আসন সংৰক্ষিত হ'ব লাগিছিল ১২টা সমষ্টি। কিন্তু তাৰ পৰিৱৰ্তে দিয়া দেখা গ'ল এটাহে সমষ্টি।

# ডিব্ৰুগড়ৰ পাৰিজাত ডিজিটেল আলোচনী 'উৰুলি' উন্মোচন ডাঃ মামণি বৰুৱাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড় মহানগৰৰ মাজমজিয়াৰ ঐতিহ্যমণ্ডিত পুৰণি আমোলাপট্টি অঞ্চলৰ প্ৰগতিশীল মহিলাসকলে গঢ় দিয়া 'পাৰিজাত' নামৰ মহিলাৰ সামাজিক-সাংস্কৃতিক সংগঠনটিয়ে প্ৰথমবাৰৰ বাবে প্ৰকাশ কৰা 'উৰুলি' নামৰ এখনি ডিজিটেল আলোচনীখনি আমোলাপট্টি নাট্য মন্দিৰত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। আলোচনীখন উন্মোচন কৰে বিশিষ্ট চকুৰোগ বিশেষজ্ঞ তথা অসম চিকিৎসা মহাবিদ্যালয়ৰ চকুৰোগ বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা ডাঃ মামণি বৰুৱাই। উন্মোচনী বক্তব্যত ডাঃ বৰুৱাই বিশেষকৈ স্থানীয় মহিলাসকলৰ সাহিত্য প্ৰতিভা আৰু অনুভৱ-অভিজ্ঞতা প্ৰকাশৰ বাবে 'উৰুলি'ৰ জৰিয়তে দিয়া সুযোগৰ বাবে 'পাৰিজাত'ৰ শলাগ লয়। এই অনুষ্ঠানতে 'পাৰিজাত'ৰ সদস্যা, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী তথা লেখিকা অঞ্জু দুৱৰাৰ 'সপোনৰ দেশ জাপান' শীৰ্ষক এটি ভ্ৰমণ কাহিনীৰো শ্ৰব্য উপস্থাপন ইউ টিউবৰ জৰিয়তে প্ৰচাৰ কৰা হয়। এই শ্ৰব্য ভ্ৰমণ কাহিনীটো উন্মোচন কৰে বিশিষ্ট বিজ্ঞানী, লেখক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° পৰমানন্দ মহন্তই। অনুষ্ঠানত দুয়োগৰাকী উন্মোচকৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা লেখক ড° গোপাল চন্দ্ৰ হাজৰিকা আৰু অঞ্চলটোৰ বয়োজ্যেষ্ঠা মহিলা দীপা দুৱৰাক 'পাৰিজাত'ৰ তৰফৰপৰা সম্বৰ্ধনা জনোৱা হয়। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ বিষয়া তথা জনপ্ৰিয় ঘোষিকা পৰশা কোঁৱৰে আঁত ধৰা অনুষ্ঠানটিত অংশগ্ৰহণ কৰি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বিনোদ বড়া, ড° জিতুৰঞ্জন চেতিয়া, দীপক বড়া, বিনুমা দাস, পৱন দত্ত প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে বক্তব্য আগবঢ়ায়। স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি অনুষ্ঠানটি শুভাৰম্ভ কৰা হয়। 'পাৰিজাত'ৰ সদস্যাসকলে পৰিৱেশন কৰে এটি দেশপ্ৰেমমূলক জ্যোতি সংগীত। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় 'পাৰিজাত'ৰ সদস্যা গায়ত্ৰী দুৱৰাই।

# বাইহাটা চাৰিআলিত কামৰূপ জিলা সাংবাদিক সন্থাৰ ৩৬ সংখ্যক প্ৰতিষ্ঠা দিৱস

## কেইবাগৰকী বিশিষ্ট ব্যক্তিসহ চাৰি কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** ৰঙিয়া সমজিলাৰ অন্তৰ্গত বাইহাটা চাৰিআলি প্ৰেছ ক্লাৱৰ উদ্যোগত ১৯ আগষ্টত দিনজোৰা কাৰ্যসূচীৰে কামৰূপ জিলা সাংবাদিক সন্থাৰ ৩৬ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। পুৱা সন্থাৰ সভাপতি প্ৰকাশ ডেকাই পতাকা উত্তোলন কৰাৰ পিছতে স্মৃতি তৰ্পণ কৰে বাইহাটা চাৰিআলি প্ৰেছ ক্লাবৰ সভাপতি লক্ষী ডেকাই। বাইহাটা চাৰিআলি ৰুৰেল লাইব্ৰেৰীৰ সভাকক্ষত কামৰূপ জিলা সাংবাদিক সন্থাৰ সভাপতি প্ৰকাশ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত সন্থাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্যই মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি কয় যে সাংবাদিক সকলে সমাজৰ উমৈহতীয়া সমস্যাসমূহ সংবাদ মাধ্যমৰ জৰিয়তে চৰকাৰৰ দৃষ্টি গোচৰ কৰিলেহে জনসাধাৰণৰ সৰ্বাংগীন উন্নয়ন হ'ব। কামৰূপ জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি পৰেশ কলিতাৰ স্মৃতিত তেওঁৰ পৰিয়ালে প্ৰতিবছৰে কামৰূপ জিলা সাংবাদিক সন্থাৰ উদ্যোগত এটি স্মাৰক বক্তৃতানুষ্ঠানৰ আয়োজন কৰিবলৈ জনোৱা আহ্বানৰ সঁহাৰি জনাই তেওঁ প্ৰয়াত কলিতাৰ পৰিয়ালক ধন্যবাদ জনোৱাৰ লগতে এই সন্দৰ্ভত সন্থাক পদক্ষেপ গ্ৰহণৰ পৰামৰ্শ দিয়ে। কামৰূপ জিলা সাংবাদিক সন্থাৰ ভাৰপ্ৰাপ্ত সম্পাদক ৰাতুল কুমাৰ ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত অসম বাৰ্তাজীৱী সংঘৰ সভাপতি মধুসূদন মেধিয়ে অনুষ্ঠানত অংশ গ্ৰহণ কৰি ৰাজ্যখনৰ অন্যতম শক্তিশালী সাংবাদিক সংগঠন অসম বাৰ্তাজীৱী সংঘৰ লাইখুটা স্বৰূপ কামৰূপ জিলা সাংবাদিক সন্থাই বিগত সময়ত জনসধাৰণ লগতে সাংবাদিকসকলৰ বাবে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি কয়। অসম বাৰ্তাজীৱী সংঘৰ উপ-সভাপতি তথা অসমীয়া প্ৰতিদিনৰ জ্যেষ্ঠ উপ-সম্পাদক অঞ্জন কুমাৰ শৰ্মাই অনুষ্ঠানত অংশগ্ৰহণ কৰি কামৰূপ জিলাৰ বুৰঞ্জী অবিহনে দেশৰ বুৰঞ্জী সম্পূৰ্ণ নহয় বুলি মন্তব্য কৰি তেনে এখন জিলাৰ সাংবাদিক সন্থাৰ প্ৰতিষ্ঠা দিৱসত অংশ গ্ৰহণ কৰিবলৈ পাই নিজকে গৌৰৱ অনুভৱ কৰিছে বুলি কয়। বাইহাটা চাৰিআলি প্ৰেছ ক্লাবৰ সম্পাদক জ্যোতিপ্ৰসাদ ডেকাই আদৰণি ভাষণ দিয়া সভাত সমাজকৰ্মী মদন ডেকা, বিপিন ডেকা, বাইহাটা শতদল শাখা সাহিত্য সভাৰ সভাপতি কৃষ্ণকান্ত কলিতা, বাইহাটা চাৰিআলি প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি শৰৎ ডেকা, সমাজকৰ্মী তছলিমুদ্দিন আহমেদ,কেশৱ কাকতি, নাজিম আহমেদ, ইন্তাজুল হক, মুকুল কুমাৰ ডেকা, কামৰূপ জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক ভূধৰ ডেকা, বাইহাটা চাৰিআলি ৰুৰেল লাইব্ৰেৰীৰ সম্পাদক কুশল গোস্বামী, সাংস্কৃতিক কৰ্মী ৰবীন কলিতা, সাহিত্য কৰ্মী ভৱেশ ডেকা, কণ্ঠশিল্পী হীৰেণ হাজৰিকাৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে এই বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতিত্ব অৰ্জন কৰা কামৰূপ জিলা সাংবাদিক সন্থাৰ বিষয়ববীয়াৰ সন্তান ক্ৰমে পীয়ুজ দাস,সৌম্য প্ৰিয়া ডেকা, ধৃতিস্মিতা কোঁৱৰ আৰু টিংকল কাশ্যপক অনুষ্ঠানত বিশেষ সম্বৰ্ধনা জনোৱা হয়।

# শিৱসাগৰ ৰূপম কলা কেন্দ্ৰৰ ১৮ সংখ্যক বাৰ্ষিক অনুষ্ঠান সফলতাৰে সম্পন্ন




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** চিত্ৰ, ভাস্কৰ্য শিল্পীৰ চৰ্চাৰ লগতে নাট্যচৰ্চাৰ কেন্দ্ৰ হিচাপে শিৱসাগৰত ২০০৭ চনতে গঢ়ি তোলা ৰূপম কলা কেন্দ্ৰৰ ১৮ বছৰ সম্পূৰ্ণ হ'ল। প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানটি শিৱসাগৰ ছোৱালী কলেজৰ অবসৰপ্ৰাপ্ত অধ্যক্ষ বুধিন মিশ্ৰৰ বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ হয়। প্ৰশিক্ষক পৰিনীতা শৰ্মা বেজবৰুৱাই আঁত ধৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ৰূপম কলা কেন্দ্ৰৰ অধ্যক্ষ ৰূপম বেজবৰুৱাই। চিনাকি পৰ্ব আৰু সম্বৰ্ধনা অনুষ্ঠানৰ লগতে ৰূপম কলা কেন্দ্ৰৰ স্থায়ী সভাপতি বুলি দত্তই সভাখন সুন্দৰকৈ পৰিচালনা কৰে। উল্লেখ্য যে, সভাত চিত্ৰ কলাৰ মাধ্যমেৰে শিশুসকলক কলাত্মক দিশত আগুৱাই নিয়াৰ ক্ষেত্ৰত ৰূপম কলা কেন্দ্ৰই প্ৰতিবছৰে কি পদক্ষেপ লৈছে আৰু ল'ব তাৰ ওপৰত আলোচনা কৰা হয়। লগতে একেখন সভাতেই ২০২৪-২৫ বৰ্ষৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। তিনি শতাধিক ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ২১ গৰাকী শ্ৰেষ্ঠ ছাত্ৰ-ছাত্ৰীক নিৰ্বাচিত কৰি বঁটা প্ৰদান কৰা হয়। ১২ খন চিত্ৰ অংকন বিদ্যালয়ৰ ভিতৰত দিপতনু সিঙক শ্ৰেষ্ঠ প্ৰশিক্ষকৰ বঁটা প্ৰদান কৰা হয় আৰু সফলতাৰে চিত্ৰ কলাৰ চূড়ান্ত বৰ্ষত উত্তীৰ্ণ হোৱাসকলক সম্বৰ্ধনা জনোৱা হয়। চিত্ৰ কলাৰ প্ৰশিক্ষক দিপতনু সিং, অভিজিত দুৱৰা, ভাগ্যশ্ৰী কলিতা, উশা কিৰণ, মেহজেবিন আখতাৰ আহমেদ, জয়া ৰজক, দিপাংকৰ নাথক সম্ভাষণ জনোৱা হয়। আনহাতে ২০২৫ বৰ্ষৰ চিত্ৰাংকণ প্ৰতিযোগিতাত বিশিষ্ট চিত্ৰশিল্পী (সূক্ষ্ম চিত্ৰ অংকন কৰি গীণিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ড কৰা) উৎপল শৰ্মা আৰু বিশিষ্ট চিত্ৰশিল্পী, শৰীৰ চৰ্চাবিদ, যুৱ অভিনেতা জয়ন্ত বেজ ডাঙৰীয়াই বিচাৰকৰ আসন অলংকৃত কৰাৰ উপৰিও চিত্ৰাংকণৰ ওপৰত শিশুসকলৰ লগত বিশদভাৱে আলোচনা কৰে। উক্ত সভাত বিশিষ্ট অভিনেতা, পৰিচালক সুভ্ৰম বৰকটকী আৰু বহুকেইজন সচেতন অভিভাৱকে মন্তব্য আগবঢ়ায়। শেষত বিভিন্ন নৃত্য-গীত, কবিতা আবৃত্তি আৰু কাহিনী কোৱা আদি অনুষ্ঠানেৰে অনুষ্ঠানটিৰ সামৰণি পৰে।

# শুৱালকুছি শাখা লেখিকা সংস্থাৰ আবৃত্তি আৰু বানান প্ৰতিযোগিতাৰ বঁটা বিতৰণী সভা সম্পন্ন




**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** শুৱালকুছিৰ মহিলা লেখিকাসকলৰ অন্যতম অনুষ্ঠান শুৱালকুছি শাখা লেখিকা সংস্থাৰ উদ্যোগত স্থানীয় জ্ঞানদ্বীপ ইংলিছ একাডেমী প্ৰাঙ্গণত শিশুসকলৰ মাজত বানান আৰু আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। প্ৰতিযোগিতাৰ অন্তত নিলীমা দাসৰ পৌৰাহিত্যত বঁটা বিতৰণি সভাখন অনুষ্ঠিত হৈ যায়। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে জ্যোতি সাহিত্য সভাৰ সভাপতি ৰঞ্জিত কুমাৰ মহন্তই। সভাৰ উদেশ্য বাখ্যা আগবঢ়াই সংস্থাৰ সম্পাদকীকা মঞ্জু কাকতিয়ে। আদৰণি ভাষণ প্ৰদান কৰে সভানেত্ৰী নিলীমা দাসে। বিশিষ্ট অতিথি হিচাপে ভাষণ প্ৰদান কৰে জ্যোতি সাহিত্য সভাৰ সভাৰ সভাপতি ৰঞ্জিত কুমাৰ মহন্তই। ভাষণ প্ৰদান কৰি তেওঁ কয় যে মাতৃসকলেই শিশুৰ কাৰণে দেশৰ ভৱিষ্যত গঢ়োতা। যিসকলে সৎ আৰু নিকা সমাজ গঢ়িবলৈ হাতত কলম তুলি লৈছে সেইসকলে নিজে নিজৰ জীৱনটোক জীৱনেই মোৰ বাণী বুলি প্ৰতিষ্ঠা কৰক জীৱনটোৱে এটা কৰি থাকিব লিখিব বেলেগ সেইটো হ'ব নোৱাৰে ছাত্ৰ-ছাত্ৰীসকলক মাকে গুৰুত্ব প্ৰদান কৰিলে সি কেতিয়াও বেয়া হ'ব নোৱাৰে। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত কিবা এটা নহয় কিবা এটা প্ৰতিভা লুকাই আছে। তাক নিৰ্ণয় কৰি ছাত্ৰ বা ছাত্ৰী গৰাকীক প্ৰতিষ্ঠা কৰাটো অভিভাৱকৰ দায়িত্ব। আদৰণি ভাষণ প্ৰদান কৰি নিলীমা দাসে অনুষ্ঠানটিৰ স্থাপনৰ ইতিবৃত্ত আৰু শুৱালকুছিবাসী ৰাইজৰ সহযোগ আৰু লেখিকাসকলৰ উৎসাহ উদ্দীপনাৰ বাবেই যে লেখিকা সংস্থাটো উজ্জীৱিত হৈ আছে তাক আন্তৰিকতাৰে প্ৰকাশ কৰে। সাংবাদিক তথা শিক্ষক দুলু কলিতা আৰু শিক্ষয়িত্ৰী ৰশ্মি বৈশ্যইও ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যে গঠনমূলক বক্তব্য প্ৰদান কৰে। সম্পাদিকা মঞ্জু কাকতিয়ে আতঁধৰা অনুষ্ঠানটিত শতাধিক ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক উপস্থিত থাকে বিজয়ী প্ৰতিযোগীসকলক কিতাপ আৰু মানপত্ৰ প্ৰদান কৰা হয়।

# পাহৰণিৰ গৰ্ভত বিলীন হ'ব ধৰিছে গ্ৰাম্য সমাজৰ বহু পৰম্পৰাগত খেল

## নৱ প্ৰজন্মৰ ধাউতি কমিছে খেলা-ধূলাৰ প্ৰতি

**জয়ন্ত মুদৈ, নগাঁও ঃ** সময় বাগৰাৰ লগে লগে আধুনিকতাৰ কৱলত পৰি মানুহৰ চিন্তা-ভাৱনা, ধ্যান-ধাৰণা তথা জীৱন ধাৰণৰ প্ৰক্ৰিয়াত বহুখিনি পৰিৱৰ্তন আহি পৰিছে। এইক্ষেত্ৰত পৰিৱৰ্তনৰ মাত্ৰা অধিক পৰিমাণে বৃদ্ধি পোৱা দেখা গৈছে নৱ প্ৰজন্মৰ মাজত। আনকি আধুনিকতাৰ ধামখুমীয়াত উটি-ভাহি ফুৰা আজিৰ নৱ প্ৰজন্মৰ সৰহ সংখ্যকেই পাহৰি গৈছে নিজস্বতা। যাৰ পৰিণতিত হেৰাই গৈছে আমাৰ মাজৰ পৰা অসমীয়া সমাজৰ বহু ৰীতি-নীতি তথা পৰম্পৰা। এইক্ষেত্ৰত অসমীয়া গ্ৰাম্য সমাজৰ পুৰণিকলীয়া বহু পৰম্পৰাগত থলুৱা খেলৰ কথাকে ক'ব পাৰি। কাৰণ আজিৰ পৰা কিছু বছৰৰ আগলৈকে অসমৰ চুকে-কোণে যিবোৰ আমোদজনক খেল খেলি ৰাইজে আনন্দৰ সোৱাদ লৈছিল, সেই খেলবোৰ আজিৰ নৱ প্ৰজন্মই নেখেলে। আনকি বহুতে আকৌ এইবোৰ চিনিয়েই নাপায় আৰু এচামে নামেই শুনা নাই। ইয়াৰ বিপৰীতে কোনো কোনোৱে নাম জানিলেও খেলবোৰ কি দৰে খেলে সেই বিষয়ে একেবাৰে অজ্ঞ। আচলতে, এসময়ত অসমৰ গ্ৰাম্য সমাজৰ ৰাইজে হা-ডু-গুদু, টাংগুটি, লুকাভাকু, চেংগুটি, চাংঘাই, বাঘ-গৰু, মংগল পাঠা, কড়ি, গাদাং, গোল্লা হাউ, বালা-চৌকা, ঢাই গুদু, গোৰৰ বাৰি, ভন্টা, গাই-দামুৰি, আইচ-বাইচ, তিনি পটীয়া, জলকেলি, কচুকটা, কাবাডী, লাঠি-বাৰী, খো-খো, কুকুৰা যুঁজ, ৰছী টনা, টেকেলী ভঙা, ফুটবল, ভলীবল, চোৰা-চুই, ঘাই, পিছল খুটাত উঠা আদি বিভিন্ন প্ৰকাৰৰ থলুৱা খেল খেলি আমোদ লভিছিল। কিন্তু বৰ্তমানৰ যুৱ প্ৰজন্মই এইবোৰ খেল খেলিবলৈ এৰি দিছে। যাৰ ফলত এই খেলবোৰ ক্ৰমান্বয়ে পাহৰণিৰ গৰ্ভত বিলীন হ'ব ধৰিছে। ইয়াৰ বিপৰীতে যুৱ সমাজৰ মাজত অতিকে জনপ্ৰিয় হৈ পৰিছে ক্ৰিকেট খেল। টেনিছ বলেৰে খেলা ক্ৰিকেটৰ প্ৰতি যুৱ প্ৰজন্ম অধিককৈ আকৃষ্ট হোৱা হেতু গ্ৰাম্য সমাজত পৰম্পৰাগত আন খেলৰ চাহিদা একেবাৰে কমি গৈছে। অৱশ্যে পূৰ্বতে ফুটবলক কেন্দ্ৰ কৰি গ্ৰামাঞ্চলবোৰত উৎসাহৰ সীমা নাছিল। কনমানিবোৰে ৰবাব টেঙা বা ঔ-টেঙাক ফুটবল হিচাপে লৈ এডোখৰ মুকলি ঠাইত খেলা দৃশ্য আজি পাবলৈ নাই। তদুপৰি এখন গাঁৱৰ লগত আন এখন গাঁৱৰ ফুটবল খেলৰ প্ৰতিদণ্ডিতাৰ যি মাদকতা সেয়া হেৰাই যোৱাৰ সমান্তৰালকৈ ভলীবল, কাবাডী বা খো-খো খেলৰো প্ৰসাৰতা একেবাৰে কমি গৈছে। হা-ডু-গুদুৰ বাবে নাই খেলুৱৈ। ইফালে, গাঁও অঞ্চলবোৰত ডাৱৰীয়া বতৰত কন কন গৰখীয়া, কিশোৰ আদিয়ে পামঘৰৰ মাটিত অথবা ডাঙৰ গছৰ তলত আঁচ টানি ক'লা আৰু বগা ৰঙৰ কচুৰ ঠাৰি সৰু সৰুকৈ কাটি সেই টুকুৰাৰে খেলা 'মংগল পাঠা' খেলৰ মনোমোহা দৃশ্য বৰ্তমানে বিস্মৃতিৰ গৰ্ভত। ঠিক সেইদৰে, স্কুলৰ গৰম বন্ধৰ সময়ছোৱাত কিম্বা স্কুল ছুটীৰ পিছত আবেলি সৰু সৰু ল'ৰা-ছোৱালীয়ে বেছ স্ফুৰ্তি-তামাচাৰে খেলা লুকা-ভাকু, চোৰা-চুই, চেংগুটি, গাই-দামুৰি, কাচা-পকা, বাঘ-গৰু, আইচ-বাইচ, ঢাই-গুদু, কচু কটা আদিবোৰো সময়ৰ সোঁতত লুপ্ত হৈ গৈছে। প্ৰকৃততে, তথাকথিত আধুনিকতাৰ লেবেল মাৰি আত্মবিভোৰ হৈ পৰা আজিৰ নৱ প্ৰজন্মই ম'বাইল, ফেচবুক, ৱাটছ-আপ, ইন্টাৰনেট, টিভি আদিত ঘন্টাৰ পিছত ঘন্টা ব্যস্ত থকাৰ লগতে একাংশ যুৱক বাইক সংস্কৃতিৰ গ্ৰাসত পৰাৰ বাবেই এনেবোৰ খেল খেলিবলৈ সময়েই নোহোৱাৰ দৰে হৈছে। ফলত হেৰাই গৈছে আমাৰ মাজৰ পৰা এনেবোৰ পৰম্পৰাগত থলুৱা খেল-ধেমালি। আনফালে, অভিভাৱকসকলেও নিজৰ সন্তানক শৈক্ষিক দিশটোৰ প্ৰতি সততে নজৰ দি বিদ্যালয়ৰ পাঠ গ্ৰহণৰ উপৰিও তিনি-চাৰিটা বিষয়ত ঘৰুৱা শিক্ষকক নিযুক্তি দি সন্তানক কেৱল অধ্যয়নৰ মাজেই ব্যস্ত ৰাখি যি প্ৰতিযোগিতামূলক ধাৰাৰ সৃষ্টি কৰিছে তাৰ দ্বাৰাও আজিৰ নৱ প্ৰজন্মৰ মাজত খেলা-ধূলাৰ প্ৰতি স্পৃহা ভালেখিনি কমাই দিছে। ফলস্বৰূপে সদা পঢ়া-শুনাতে ব্যস্ত থকা সন্তানবোৰৰ শাৰীৰিক আৰু মানসিক দিশত নানা সমস্যাই দেখা দিয়াৰ লগতে কিশোৰ অৱস্থাতে খেলা-ধূলা নকৰা যুৱ সমাজৰ মাজত মেদ বহুলতা বৃদ্ধি পোৱাৰ দৰে বিভিন্ন প্ৰকাৰৰ বেমাৰ-আজাৰে আক্ৰমণ কৰা দেখা গৈছে। এইক্ষেত্ৰত ৰাজ্য চৰকাৰৰ কৰণীয় আছে বুলি সচেতন মহলে মন্তব্য কৰিছে। কিয়নো, কালৰ সোঁতত বহু থলুৱা খেল-ধেমালি জাহ যোৱাৰ যিবোৰ কাৰক আছে তাৰ ভিতৰত চহৰকেন্দ্ৰিক খেলুৱৈসকলক সকলো সা-সুবিধা প্ৰদান কৰি গ্ৰামাঞ্চলৰ যোগ্য খেলুৱৈসকলক চৰকাৰে বঞ্চিত কৰি অহাটোও অন্যতম বুলি আঙুলিয়াই দিছে সচেতন মহলে।

# ৰামপুৰ বগীবিলত জিলা ভিত্তিক প্ৰাইজমণি ফুটবল প্ৰতিযোগিতাৰ সফল সামৰণি



**বুলমণি বৰি, লখিমপুৰ ঃ** লখিমপুৰ জিলা ক্ৰীড়া সন্থাৰ তত্বাৱধানত, ৰামপুৰ বগীবিল ফুটবল কচিং চেণ্টাৰ আৰু ৰামপুৰ বগীবিল ফুটবল ক্লাবৰ উদ্যোগত ৰাজগড় বগীবিল হাইস্কুল খেলপথাৰত জিলা ভিত্তিক চতুৰ্থ বাৰ্ষিক প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাখনি যোৱা ৮ আগষ্টৰ পৰা ১৫ আগষ্টলৈকে অনুষ্ঠিত হয়। ৰামপুৰ বগীবিলৰ লগতে ডিজু কিমিনৰ বৃহৎ অঞ্চলতোৰ প্ৰতিভাৱান খেলুৱৈসকলৰ প্ৰতিভা সমূহ বিকাশ তথা আগুৱাই লৈ যোৱাৰ দিশত ৰামপুৰ বগীবিল ফুটবল কচিং চেণ্টাৰে অগ্ৰণী ভূমিকা পালন কৰি আহিছে। ফুটবল প্ৰতিযোগিতাখনিত মুঠ ১০ টা দলে অংশগ্ৰহণ কৰে। ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন ১৫ আগষ্টত দিখৌমুখীয়া ডায়নেমচ এফ চি আৰু হাতীলুং কচিং চেণ্টাৰ এফ চিৰ মাজত অনুষ্ঠিত হয়। তীব্ৰ উত্তেজনা পূৰ্ণ খেলখনত ১ টা গলত সমতা স্থাপন হোৱাত পুনৰ ট্ৰাই বেকাৰত ৩/২ গলৰ ব্যৱধানত দিখৌমুখীয়া ডায়নেমচ এফ চিয়ে জয়লাভ কৰে। উক্ত প্ৰতিযোগিতাত দুটা  ছোৱালীৰ দলেও অংশগ্ৰহণ কৰে। হাৰমতি বান্দৰদোৱা লাইন এফ চি আৰু ৰামপুৰ বগীবিল এফ চি। দুয়োটা দলৰে দুৰ্দান্ত প্ৰদৰ্শন আৰু আকৰ্ষণীয় আছিল যদিও ১/০ গলত ৰামপুৰ বগীবিল এফ চি জয়ী হয়। যোৱা ৮ আগষ্টৰ পৰা ১৫ আগষ্টলৈকে অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনিৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত আছিল ঋষিৰাজ হাজৰীকা, অসম চৰকাৰ যুৱ আয়োগৰ সদস্য বিশিষ্ট অতিথি শ্ৰীযুত পুলক বৰা, যুটীয়া সম্পাদক কেন্দ্ৰীয় সমিতি, অসম জাতীয়তাবাদী যুৱ পৰিষদ শ্ৰীযুত গোপাল লিম্বু, এক্স আৰ্মী চুবেদাৰ মেজৰ লেখন খাটনিয়াৰ, সাধাৰণ সম্পাদক দুৰ্নীতি বিৰোধী যুৱ মঞ্চ অসম। প্ৰতিযোগিতাৰ পৰিচালনা সমিতিৰ সভাপতি  তগৰ দলে উপ-সভাপতি প্ৰকাশ পৰাজুলী সম্পাদক জিতু সোণোৱাল কোষাধ্যক্ষ নৰ দলে মুখ্য উপদেষ্টা মহিম পায়েং মুখ্য সমন্বয়ক বিমান সোণোৱাল উপদেষ্টা মিনাৰাম পেগু টঙ্ক বাহাদুৰ ৰাই কেশৱ গোহাঁইৰ লগতে ৰামপুৰ ফুটবল ক্লাবৰ অনান্য কৰ্মকৰ্তাসকল আৰু প্ৰায় পাঁচ হাজাৰতকৈ অধিক দৰ্শকে আকৰ্ষণীয় খেল উপভোগ কৰি খেলপথাৰখনৰ পৰিৱেশ জীপাল কৰি তোলে আৰু খেলুৱৈ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি সম্পূৰ্ণ নিকাভাৱে প্ৰতিযোগিতাৰ সফল সামৰণি পৰে।

# পৰম্পৰাগত ওঠৰ প্ৰসংগৰ নাম-কীৰ্তনেৰে মুখৰিত বটদ্ৰৱা থান



**জয়ন্ত মুদৈ, নগাঁও ঃ** যোৱা সোমবাৰৰ পৰা শুভাৰম্ভ ঘটিছে অসমীয়াৰ অতিকে পবিত্ৰ ভাদ মাহৰ। সেয়ে হৰি নামৰ অমল ধ্বনিৰে মুখৰিত হৈছে সমগ্ৰ ৰাজ্যৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পৱিত্ৰ জন্মভূমিৰ আকাশ-বতাহ। কাৰণ, পূৰ্বৰ বছৰবোৰৰ দৰে এইবাৰো ব্যাপক উৎসাহ-উদ্দীপনা মাজেৰে বটদ্ৰৱা থানত আৰম্ভ হৈছে পৱিত্ৰ ভাদ মাহৰ পৰম্পৰাগত ওঠৰ প্ৰসংগৰ অনুষ্ঠানৰ। আনকি, পৱিত্ৰ ভাদ মাহৰ পহিলা দিনটোতে পুৱাৰে পৰা অগণন ভকত-বৈষ্ণৱৰ আগমণ ঘটাৰ বিপৰীতে বটদ্ৰৱা থান পৰম্পৰাগত নাম-কীৰ্ত্তনৰে মুখৰিত হৈ পৰিছে গুৰুজনাৰ জন্মভূমিৰ আকাশ-বতাহ। স্মৰ্তব্য যে, মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ তিৰোভাৱ তিথি, শ্ৰীশ্ৰীকৃষ্ণৰ জন্মোৎসৱ, নন্দ উৎসৱ আৰু বৈকুণ্ঠৰ কল্পতৰু ভাগৱত শাস্ত্ৰৰ চৰ্চা পৃথিৱীত এই পৱিত্ৰ ভাদ মাহতে আৰম্ভণি ঘটিছিল। গতিকে ভাদ মাহ প্ৰতিজন ভকত-বৈষ্ণৱৰ বাবে বৰ আপোন। সেয়ে পৰম্পৰা অনুসৰি ভাদ মাহৰ ওঠৰ প্ৰসংগৰ লগতে নাম ৰাখিছে সকলো ভকত-বৈষ্ণৱ। ইফালে, শ্ৰীশ্ৰীবটদ্ৰৱা থান পৰিচালনা সমিতিয়ে শ্ৰীশ্ৰী নৰোৱা আৰু শ্ৰীশ্ৰী শলগুৰি এই দুই সত্ৰৰ ভকত-বৈষ্ণৱৰ উপৰিও গায়ন, বায়ন, সূত্ৰধাৰ, নামলগোৱা, পাঠক, দেউৰী, মুক্তিয়াৰসকলৰ সম্পূৰ্ণ সহযোগত ঐতিহ্যময় পৰম্পৰাৰ ধাৰাবাহিকতা ৰক্ষা কৰি অনুষ্ঠিত কৰিব ভাদ মাহৰ সকলো ধৰ্মীয় অনুষ্ঠান। ইতিমধ্যে স্বচ্ছতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি গুৰুজনাৰ জন্মভূমিৰ ভকতসকলে পৰিৱেশ নিকা কৰি তুলিছে। আচলতে, পুৱতি নিশাৰ পৰা আৰম্ভ হোৱা ভাদ মাহৰ স্বকীয় তথা মৌলিক প্ৰসংগসমূহে গুৰুজনাৰ পৱিত্ৰ জন্মভূমিৰ সত্ৰীয়া কলা-কৃষ্টিৰ বৈভৱময় পৰিৱেশ যুগ যুগ ধৰি গৰিমামণ্ডিত ৰূপত উজ্বলাই ৰাখিছে। তদ্ৰূপ এইবাৰো সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমিৰ বটদ্ৰৱা থানত পৱিত্ৰ ভাদ মাহ উপলক্ষে সমগ্ৰ মাহজুৰি পুৱাৰে পৰা মাজ নিশালৈ ওঠৰ প্ৰসংগৰে মুখৰিত হৈ থাকিব।

সত্যমেৱ জয়তে
অসম চৰকাৰ

# মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি

উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ বাবে অসম চৰকাৰৰ অভিলাষী পদক্ষেপ





ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

**অসমৰ ৩৮০ৰো অধিক স্থানত একেটা দিনতে আনুষ্ঠানিকভাৱে আবেদন-পত্ৰ বিতৰণ**

## সুবিধাসমূহ

| শাখা | মাহিলি ধনৰাশি * | সৰ্বাধিক মুঠ পুঁজি |
|---|---|---|
| উচ্চতৰ মাধ্যমিক (প্ৰথম আৰু দ্বিতীয় বৰ্ষ) | ১,০০০ টকা | ১০,০০০ টকা |
| স্নাতক আৰু সংহত শিক্ষক শিক্ষা কাৰ্যসূচী পাঠ্যক্ৰম (প্ৰথম আৰু দ্বিতীয় বৰ্ষ) | ১,২৫০ টকা | ১২,৫০০ টকা |
| স্নাতকোত্তৰ আৰু বি এড (প্ৰথম আৰু দ্বিতীয় বৰ্ষ) | ২,৫০০ টকা | ২৫,০০০ টকা |

*বন্ধৰ সময়ছোৱা বাদ দি সৰ্বাধিক ১০ মাহৰ বাবে পুঁজি লাভৰ সুবিধা

২০২৪-২৫ বৰ্ষ
১.৬ লাখ
ছাত্ৰীৰ বাবে
১৩৩ কোটি টকা
বিতৰণ

২০২৫-২৬ বৰ্ষ
৪ লাখ+
ছাত্ৰীলৈ
নিযুত মইনা আঁচনিৰ
সুবিধা

## সময়সূচী ২০২৫-২৬

| কাৰ্যসূচীসমূহ | সময়সূচী |
|---|---|
| আবেদন-পত্ৰ বিতৰণ | ৬ আগষ্ট – উচ্চতৰ শিক্ষা আৰু এছ চি ই আৰ টি |
| | ৭, ৮, ৯ আগষ্ট – মাধ্যমিক শিক্ষা |
| মহাবিদ্যালয়/বিদ্যালয় কৰ্তৃপক্ষৰ দ্বাৰা ছাত্ৰীৰ তথ্য আপলোডৰ বাবে প'ৰ্টেল মুকলি | ৭ আগষ্ট |
| প'ৰ্টেল বন্ধ | ৫ ছেপ্টেম্বৰ |
| এছ বি আই প'ৰ্টেলত তথ্য আপলোড | ১৫ ছেপ্টেম্বৰ |
| চেক বিতৰণ | অক্টোবৰ |

## সামাজিক প্ৰভাৱ

- উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি
- বাল্য বিবাহ তথা কৈশোৰকালীন মাতৃত্ব প্ৰতিৰোধ
- আৱেগিক, মানসিক আৰু শাৰীৰিকভাৱে পৰিপক্ক নোহোৱা পৰ্যন্ত কন্যাৰ বিবাহ ৰোধ
- শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ সুনিশ্চিতকৰণ

## অৰ্হতা

- অসমত স্থায়ীভাৱে বাস কৰা ছাত্ৰী
- নিম্নোল্লিখিত পাঠ্যক্ৰম গ্ৰহণ কৰা ছাত্ৰী
  - উচ্চতৰ মাধ্যমিক, স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰম
  - নতুন শিক্ষা নীতি ২০২০ৰ অধীনৰ সংহত শিক্ষক শিক্ষা কাৰ্যসূচীৰ পাঠ্যক্ৰম
  - চৰকাৰী শিক্ষানুষ্ঠানত স্ব-পুঁজিৰে গ্ৰহণ কৰা পাঠ্যক্ৰম

## কোনে আঁচনিখনৰ সুবিধা লাভ নকৰে?

- বিবাহিতা ছাত্ৰী (স্নাতকোত্তৰ আৰু বি এড শিক্ষাৰ্থীৰ বাদে) আৰু চাকৰিয়াল বি এড ছাত্ৰী
- মন্ত্ৰী, সাংসদ আৰু বিধায়কৰ কন্যা
- বাণীকান্ত কাকতি বঁটা (স্কুটী) লাভ কৰা ছাত্ৰী
- ব্যক্তিগত শিক্ষানুষ্ঠানৰ ছাত্ৰী

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

Janasanyog RO no 1685/25/22-August-25

# নগাঁৱৰ ডিমৰুগুৰিত কে, চি ফিটনেছ নামেৰে শৰীৰ চৰ্চা কেন্দ্ৰ মুকলি



**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও চহৰৰ কিছু নিলগৰ ডিমৰুগুৰি অঞ্চলৰ ছকৰিগাৱত কে, চি ফিটনেচ নামেৰে পুৰুষ-মহিলা উভয়ে শৰীৰ চৰ্চা কৰিব পৰাকৈ এটি অত্যাধুনিক সুবিধাসম্পন্ন শৰীৰচৰ্চা কেন্দ্ৰ মুকলি কৰা হয়।ৰাষ্ট্ৰীয়-আন্তৰাষ্ট্ৰীয় পৰ্যায়ৰ বডি ব্লিডিং প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি বৰ্তমানলৈকে কেইবাটাও খিতাপ দখল কৰি অসমৰ লগতে নগাঁও জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱা নগাঁৱৰ এগৰাকী সকলোৰে পৰিচিত শৰীৰ চৰ্চাবিদ কমল ছেত্ৰীৰ একক প্ৰচেষ্টাত প্ৰাণ পাই উঠা এই শৰীৰচৰ্চা কেন্দ্ৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। তদুপৰি শৰীৰচৰ্চাৰ জৰিয়তে বিশ্ব অভিলেখ গঢ়িবলৈ সক্ষম হোৱা তথা অসমৰ সু-সন্তান মহাদেৱ ডেকা অনুষ্ঠানত উপস্থিত থাকি কয়- উঠি অহা যুৱচামৰ লগতে বিশেষকৈ মহিলাসকল আৰু ৬০ বছৰৰ উৰ্ধৰ লোকসকলে যদি কোনো কষ্টকৰ কাম নকৰে। সেই সকল লোকে নিতৌ এঘন্টা যদি শৰীৰচৰ্চাত সময় দিব পাৰে তেনেহ'লে নিৰোগী হৈ থাকিব পাৰিব বুলি মুকলি অনুষ্ঠানত উপস্থিত থকা ৰাইজৰ লগতে সমূহ নগাঁওবাসী ৰাইজলৈ সু- পৰামৰ্শ আগবঢ়ায়। উল্লেখ্য যে আনাগত দিনসমূহত এই শৰীৰ চৰ্চা কেন্দ্ৰটিয়ে উঠি অহা যুৱ চামৰ লগতে বয়োজ্যেষ্ঠ লোকসকলকো সুঠাম শৰীৰৰ অধিকাৰী কৰিব পাৰিব বুলি ছেত্ৰীয়ে জানিবলৈ দিয়ে।

# নগাঁৱত আয়ুস হেলথ কেয়াৰ এণ্ড আই কেয়াৰ চেন্টাৰ মুকলি



**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও চহৰৰ মাজমজিয়াৰ পানীগাঁও চাৰিআলিত আয়ুস হেলথ কেয়াৰ এণ্ড আই কেয়াৰ নামেৰে অলপতে এখন ক্লিনিক মুকলি কৰা হয়। ক্লিনিকখন শুভাৰম্ভণি কৰি নগাঁৱৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ তপন শইকীয়াই কয়- শুভাৰম্ভণি কৰা এই ক্লিনিকখনত চকুৰোগ, শিশুসকলৰ ভিন্ন ৰোগৰ লগতে অত্যাধুনিক চিকিৎসা পদ্ধতিৰে ৰোগীসকলক কেইবাটাও বিভাগৰ চিকিৎসা সেৱা প্ৰদান কৰিব। তদুপৰি এই ক্লিনিকখনত গুৱাহাটীলৈ নোযোৱাকৈয়ে উন্নত চিকিৎসাসমূহ লাভ কৰিব পাৰিব। ইপিনে দৰিদ্ৰ সীমাৰেখাৰ তলৰ শ্ৰেণীৰ লোকসকলৰ বাবেও কিছু ৰেহাই প্ৰদান কৰা দিশটোৰ কথাও চিন্তা কৰা হৈছে। সেয়া আমাৰ সমাজখনৰ বাবে এটি শুভ সংবাদ। মই এই সুযোগতে চিকিৎসা প্ৰতিষ্ঠানখনৰ কৰ্তৃপক্ষ তথা সকলোৰে পৰিচিত এগৰাকী শিশুৰোগ বিশেষজ্ঞ ডাঃ ভৱ জ্যোতি বৰা আৰু চকুৰোগ বিশেষজ্ঞ ডাঃ পুৰবী বৰুৱাক ধন্যবাদ জনাইছো বুলি কৈ নগাঁওবাসী ৰাইজলৈ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰে। ইপিনে কৰ্তৃপক্ষৰ হৈ ডাঃ ভৱজ্যোতি বৰাই জানিবলৈ দিয়া মতে এই ক্লিনিকখনত পৰিস্কাৰ- পৰিচন্নতা, প্ৰদূষণমুক্ত, উন্নতমানৰ প্ৰস্ৰাৱগাৰ, শৌচালয়কে আদি কৰি বহুখনি সুবিধাই ৰোগীসকলে লাভ কৰিব পাৰিব বুলিও জনায়। উল্লেখ্য যে মুকলি অনুষ্ঠানত বিশিষ্ট চিকিৎসক ডাঃ অৰূপ জ্যোতি মহন্ত, ৰামানুজন কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ দিলীপ বৰা, নগাঁও পৌৰসভাৰ উপ-পৌৰপতি সীমান্ত বৰাকে আদি কৰি ভালেসংখ্যক গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

# পৱিত্ৰ ভাদ মাহ

■ **অনামিকা (সংগীতা) কলিতা,** শুৱালকুছি

**স**কলো মাহৰ ভিতৰত ভাদ মাহ 'পৱিত্ৰ' মাহ হিচাপে অসমীয়া সমাজত প্ৰচলিত।

হৰি নাম ৰসেৰে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বহেব্ৰহ্মাণ্ডক ভেদি।।

মানৱ সমাজক ঐক্যবদ্ধ কৰাৰ ক্ষেত্ৰত প্ৰাচীন কালৰে পৰা এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে ধৰ্মীয় ৰীতি-নীতি আধ্যাত্মিক চিন্তা-চেতনাই।

অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোক বাস কৰিলেও মুঠতে সকলো আমি বৃহত্তৰ এটা অসমীয়া জাতি বুলি অভিহিত। এই বৃহত্তৰ অসমীয়াৰ সমাজত প্ৰচলিত কু-সংস্কাৰ পৰা মুক্ত কৰি পোহৰৰ সন্ধান দেখুৱাই আগবঢ়াই নিয়া আৰু এক শৰণ বৈষ্ণৱ ধৰ্মৰ গুৰি ধৰোতা মহাপুৰুষ দুজনা শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱ তিৰোভাৱ তিথি ভাদ মাহতে অনুষ্ঠিত কৰা হয়। সমাজ সংস্কাৰক আমাৰ মহাপুৰুষ দুগৰাকী পৱিত্ৰ ভাদ মাহতে বৈকুণ্ঠ প্ৰয়াণ হৈছিল। গতিকে তেওঁ লোকক স্মৰণ কৰি গোটেই মাহতো সকলো সত্ৰ-নামঘৰতে ৰাতিপুৱা আৰু সন্ধিয়া হৰি নামেৰে মুখৰিত হৈ থাকে। কাৰণ আমাৰ অসমত এই সত্ৰ-নামঘৰ প্ৰতিষ্ঠা হৈছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আশীৰ্বাদত। প্ৰিয় শিষ্য মাধৱদেৱৰ সৈতে আন শিষ্যসকলক লগত লৈ তেওঁ এক শৰণ বৈষ্ণৱ ধৰ্মৰ পাতনি মেলিছিল। ভাগৱতক হৃদয়ত ৰাখিছিল, চাৰিহাটি, দৌলগৃহ, মণিকূট, কীৰ্ত্তনঘৰ ভক্তগন সমাহাৰে জ্ঞানৰ আলোক বিতৰণ কৰিছিল, যাক আমি নামঘৰ বুলি কওঁ। ধৰ্ম আৰু কৰ্মত বিশ্বাসী আমাৰ গাঁও শুৱালকুছিত গোটেই ভাদ মাহতো হৰিৰ নামেৰে ৰজন-জনাই থাকে।

প্ৰভূ শ্ৰীকৃষ্ণৰ জন্ম এই পৱিত্ৰ ভাদ মাহৰ ৰোহিনী নক্ষত্ৰ অষ্টমী তিথিত। ভাৰতবৰ্ষৰ সকলো হিন্দু মানুহে মঠ-মন্দিৰতে হওক বা ঘৰতে উলাহ-মালাহেৰে পালন কৰা দেখা যায়। আমাৰ অসমীয়া সমাজতো শ্ৰীকৃষ্ণৰ জন্মাষ্টমী প্ৰতিটো নামঘৰ-সত্ৰত লগতে প্ৰতিটো পৰিয়ালে পালন কৰে। ল'ৰালিৰ কিছুমান সমধুৰ স্মৃতি মনলৈ আহে। শুৱালকুছিৰ প্ৰৱেশদ্বাৰৰ কাষত দ-খাল-বিল কেইটামান আছিল, বৰ্তমান লুপ্ত হ'ল। সেইবোৰৰ নাম দি মাতিছিল শুৱালকুছিবাসীয়ে- সৰু খাৱা, বৰখাৱা ইত্যাদি। ৰাতিপুৱাই দাদাহতে মকুৰা-পদুম ফুলি আনিবলৈ গৈছিল সেইবোৰ খাল, বিলত। মকুৰা-পদুমবোৰ আমাক আনি দিয়ে সেইবোৰৰ মালা বনাই সৰু কলপুলি এটি কৃষ্ণ সাজি পিন্ধাই দিওঁ। মা-বৰমাহঁতে বনোৱা পিঠাগুৰি লাৰু আৰু প্ৰসাদ আৰু ৰুটি-ঘুগুনী। কি যে আমেজ সনা পৰিৱেশ আছিল। বৰ্তমান সময়ত পৰিবৰ্তন হ'ল।

**ম'বাইল ঃ** ৭০০২৯-৪২৫৯১

# সদৌ অসম পায়েং অপৃণ:ৰ উদ্যোগত পদ্মশ্ৰী যাদৱ পায়েঙক সম্বৰ্ধনা



**বিকাশ শইকীয়া, মাজুলী ঃ** সদৌ অসম পায়েং অপৃণ: ৰ উদ্যোগত অৰন্য মানৱ, পদ্মশ্ৰী যাদৱ পায়েঙক সম্বৰ্ধনা জনোৱা হয়। পদ্মশ্ৰী তথা অৰণ্য মানৱ যাদৱ পায়েঙক সম্বৰ্ধনা জনাবলৈ অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সদৌ অসম পায়েং অপৃণ:ৰ নেত্ৰী বৃন্দই ককিলামুখৰ মোলাই কাঠনিত প্ৰকৃতিবিদজনৰ ঘৰত গৈ সম্বৰ্ধনা জনায়। অহা ছেপ্টেম্বৰ মাহত মেক্সিক্ ভ্ৰমণ কৰিব লগা পায়েঙক পায়েং অপৃণ:ৰ তৰফৰ পৰা অংগবস্ত্ৰৰে সম্বৰ্ধনা জনায় শুভেচ্ছা জ্ঞাপন কৰে। পায়েং অপৃণৰ দলটোৱে যাদৱ পায়েঙক সম্বৰ্ধনা জনাই আৰু সু-স্বাস্থ্য কামনাৰে তেওঁৰ মেক্সিক ভ্ৰমণ সফল হোৱাৰ কামনাৰে দঞিঃপলক প্ৰাৰ্থনা জনায়। সম্বৰ্ধনা জনোৱা সদৌ অসম পায়েং অপৃণক্সৰ দলটোত সুভাষ পায়েং, প্ৰজাপতি পায়েং, হেম পায়েং, টালা গাম, কিৰণ পায়েং, দিলীপ পায়েং, পৱিত্ৰ পায়েং, চন্দন আকাশ পায়েং, পংকজ বিমান পায়েং, হেমন্ত কুমাৰ পায়েং আৰু গন্দেশ্বৰ পায়েং আদিয়ে অংশগ্ৰহণ কৰে। পুৱা মাজুলীৰ পৰা যোৱা দলটোৱে এখন ভট ভটী নাও লৈ ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ যাদৱ পায়েঙৰ মোলাই কাঠনিত প্ৰকৃতিবিদজনৰ ঘৰত উপস্থিত হৈ উক্ত সম্বৰ্ধনা জ্ঞাপন কৰে। সদৌ অসম পায়েং অপে:ৰ সম্বৰ্ধনা গ্ৰহণ কৰি অৰন্য মানৱ, পদ্মশ্ৰী যাদৱ পায়েঙে সকলোকে ধন্যবাদ জনায় আৰু গছ গছনি ৰক্ষা কৰি প্ৰকৃতিৰ পৰিৱেশ সন্তুলন ৰক্ষা কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে উক্ত, দলটোৰ নেতৃত্ব বহন কৰে সদৌ অসম পায়েং অপৃণক্সৰ হৈ চন্দন আকাশ পায়েং আৰু কিৰণ পায়েঙে।

# নামনি মাজুলীৰ বালিচাপৰিৰ বিশিষ্ট ব্যৱসায়ী সত্য নাৰায়ণ ৰাজ পুৰোহিত চেতিয়াৰ মৃত্যু



**বিকাশ শইকীয়া, মাজুলী ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ বালিচাপৰিৰ বিশিষ্ট ব্যৱসায়ী, সমাজকৰ্মী সত্য নাৰায়ণ ৰাজ পুৰোহিতৰ পুৱা ৰাজস্থানৰ সুজানগড়ৰ কোলাছাৰত মৃত্যু হয়। 'চেতিয়া' নামেৰে সমগ্ৰ মাজুলীত সু- পৰিচিত সত্য নাৰায়ণ ৰাজ পুৰোহিত যোৱা তিনিমাহ ধৰি উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ ৰাজস্থানৰ চিকিৎসালয়ত ভৰ্তি হৈ আছিল। দুমাহ ধৰি ভেন্টিলেশ্বনত থকা ৰাজ পুৰোহিতৰ পুৱা ৫.৩০ বজাত শেষ নিশ্বাস ত্যাগ কৰে। সত্য নাৰায়ণ ৰাজ পুৰোহিতৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগেই তেওঁৰ জন্মভূমিৰ লগতে কৰ্মভূমি মাজুলীত গভীৰ শোকৰ ছাঁ পৰে। সত্য নাৰায়ণ ৰাজ পুৰোহিতে শিশু অৱস্থাতে সুদুৰ ৰাজস্থানৰ পৰা আহি মাজুলীৰ বালিচাপৰিত ব্যৱসায় আৰম্ভ কৰিছিল। তেওঁ সমগ্ৰ নামনি মাজুলীৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ সকলোৰে প্ৰিয় ভাজন হৈ পৰিছিল। চেতিয়া নামেৰে সু পৰিচিত সত্য নাৰায়ণ ৰাজ পুৰোহিত সমগ্ৰ নামনি মাজুলীৰ এজন জনপ্ৰিয় ব্যৱসায়ী আছিল। পৰৰ সুখত সুখী, পৰৰ দুখত দুখী ৰাজপুৰোহিতে মাজুলীৰ অগণন লোকক সহায়ৰ হাত আগবঢ়াইছিল। তেওঁ এগৰাকী সুদক্ষ অভিনেতাও আছিল। ৰাজস্থানৰ পৰা আহি মাজুলীৰ সমাজ জীৱনৰ লগত একাত্ম হৈ ভাওনা, শ্ৰীকৃষ্ণৰ ৰাসলীলা আদিত খুহুতীয়া অভিনয় কৰি দৰ্শকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। মাজুলীৰ অসংখ্য নামঘৰ, ৰঙ্গমঞ্চত তেওঁ খুহুতীয়া অভিনয় কৰি সকলোকে হাঁহিৰ খোৰাক যোগাইছিল। 'চেতিয়া' মানেই এমোকোৰা হাঁহিৰ ভঁৰাল বুলি নামনি মাজুলীত সকলোৰে মাজত জনপ্ৰিয় ব্যক্তি আছিল। নিজৰ ব্যৱসায়ৰ লগতে মাজুলীৰ সমাজ জীৱনৰ লগত তেওঁ ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। পুৱা তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগেই মাজুলীত গভীৰ শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৩ বছৰ। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্ৰ, এগৰাকী কন্যা, বোৱাৰী আৰু কেইবাজনো নাতি নাতিনী ইহসংসাৰত এৰি থৈ গৈছে। সত্য নাৰায়ণ ৰাজ পুৰোহিতৰ মৃত্যু মাজুলীৰ সমাজ জীৱনৰ অপূৰণীয় ক্ষতি। তেওঁৰ মৃত্যুত নামনি মাজুলীৰ বালিচাপৰি তিনিআলিত ব্যৱসায়ী সন্থাই সকলো দোকান বজাৰ বন্ধ কৰি সন্মান প্ৰদৰ্শন কৰে। ব্যৱসায়ী সন্থাই বালিচাপৰি তিনিআলিত এখন শোক সভা অনুষ্ঠিত কৰি মৌন প্ৰাৰ্থনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। চেতিয়াৰ মৃত্যুৰ খবৰে সমগ্ৰ নামনি মাজুলী শোকাহত কৰিছে। এগৰাকী সৰবৰহী ব্যক্তি চেতিয়াৰ মৃত্যুত মাজুলীৰ বিভিন্ন ব্যক্তি, দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে তেওঁৰ একমাত্ৰ পুত্ৰ ৰাজু ৰাজ পুৰোহিতে বৰ্তমান বালিচাপৰি তিনিআলিত পিতৃৰ হৈ বৃহৎ ব্যৱসায়িক প্ৰতিষ্ঠান পৰিচালনা কৰি আছে।

# ভ্ৰাম্যমাণ থিয়েটাৰৰ সামগ্ৰিক মানদণ্ড উন্নত হৈছে ঃ ডাঃ হিতেশ বৰুৱা

## ৰাজতিলকৰ শুভ উদ্বোধনী অনুষ্ঠানত বিশিষ্ট নাট্যকাৰ ঃ ডঃ ধ্ৰুৱজ্যোতি শৰ্মা



**ৰমেন ভৰালী, বংশৰ·ঃ** ভ্ৰাম্যমাণ থিয়েটাৰৰ সামগ্ৰীক মানদণ্ড উন্নত হৈছে। যোৱা ১৭ আগষ্টত ৰাজতিলক থিয়েটাৰৰ শুভ উদ্বোধনী অনুষ্ঠানত এই আৱেগিক অনুভৱ বিশিষ্ট চিকিৎসক, নেমকেয়াৰ হাস্পতালৰ জি এম ডি সাংস্কৃতিক ব্যক্তি ডাঃ হিতেশ বৰুৱাৰ। নাট্য পৰম্পৰাৰ জয়গানেৰে সমৃদ্ধ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত কামৰূপ জিলাৰ ৰাণী বজাৰ চ'কত ১৮ সংখ্যক আৰু ২০২৫-২০২৬ বৰ্ষৰ বাবে অনুষ্ঠিত শুভ উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলনৰে প্ৰথমটো কাৰ্যসূচী ৰূপায়ণ কৰে বিশিষ্ট সাহিত্যিক, নাট্যকাৰ ড° ধ্ৰুৱজ্যোতি শৰ্মাই। বন্তি প্ৰজ্বলন কৰি বিশিষ্ট নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মাই কয় যে - জাতীয় নাট্য সাহিত্যৰ কৰ্ষণ আৰু সাধনত ভ্ৰাম্যমাণ থিয়েটাৰৰ অলেখ অৱদান আছে। এয়া এক নান্দনিক, গৌৰৱময় সাংস্কৃতিক ক্ষেত্ৰ য'ত নটসূৰ্য ফণী শৰ্মা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, ড° ভূপেন হাজৰিকা, মহেন্দ্ৰ বৰঠাকু ডঃ ভবেন্দ্ৰ নাথ শইকীয়া, প্ৰফুল্ল বৰা, হেমন্ত দত্ত, মুনিন বৰুৱা, সেবাব্ৰত বৰুৱাৰ দৰে সাহিত্যৰ সাধকে কীৰ্ত্তিৰ অক্ষয় সৌধ নিৰ্মাণ কৰিছিল। সেয়ে ভ্ৰাম্যমাণ, একক অনন্য আৰু অনবদ্য। মধুমিতা শৰ্মাৰ প্ৰয়োজনাত প্ৰথম শ্ৰেণীৰ ভ্ৰাম্যমাণ থিয়েটাৰ 'ৰাজতিলক থিয়েটাৰ'ৰ শুভ উদ্বোধনী অনুষ্ঠানত সাংস্কৃতিক, সাংবাদিক নজৰুল হকে আঁত ধৰা, অপূৰ্ব তালুকদাৰ আৰু জ্যোতিষ বৰ্মনে সহযোগ কৰা অনুষ্ঠানত নাৰিকল ভাগি মাংগলিক নিয়মৰ পৰম্পৰা অক্ষুণ্ণ ৰাখে ৰাজতিলক থিয়েটাৰৰ পৰিকল্পক অনুপ দাসে। উদ্বোধনী নাট আছিল ড° ধ্ৰুৱজ্যোতি শৰ্মাৰ ৰচনা মেডিকেল কলেজ ঃ মৰমে য'ত উচুপে। নাটকৰ কাহিনীভাগ আধুনিক মেডিকেল কলেজ এখনৰ ভিতৰচৰাৰ অবাঞ্চিত কথা আৰু এগৰাকী সপোনপিয়াসী যুৱতী চিকিৎসকৰ ব্যথাভৰা কাহিনীৰ সকৰুণ দস্তাবেজকে সামৰি লোৱা হৈছে। নাটকখনৰ মূল চৰিত্ৰত অভিনয় কৰিছে বিনয় ডেকা, মুনমী ফুকন আৰু ৰাতুল দাসে। ৰাজতিলক থিয়েটাৰৰ শুভ উদ্বোধনী অনুষ্ঠানৰ পিছত প্ৰথম দৰ্শনীতে দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিববলৈ সক্ষম হৈছে। জন সমূদ্ৰত পৰিণত হৈছে ৰাণীৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণ। প্ৰথম, দ্বিতীয়, তৃতীয় নিশাৰ দিনা ৰাইজৰ বিপুল মৰম বুটলিববলৈ পাই ৰাজতিলক থিয়েটাৰৰ পৰিয়াল বৰ্গ বহু আনন্দিত বুলি কয় ৰাজতিলক থিয়েটাৰৰ পৰিকল্পক অনুপ দাসে।

# নগাঁৱৰ পাঠৰী চাৰিআলিৰ শংকৰদেৱ শিশু নিকেতনত জ্ঞান বিজ্ঞান মেলা প্ৰদৰ্শন

## উঠি অহা শিশুসকলৰ মাজৰে পৰা দেশৰ সু-বিজ্ঞানী সৃষ্টি কৰা উদ্দেশ্যই হৈছে জ্ঞান-বিজ্ঞান মেলা-সুমিত সৰকাৰ





**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁৱৰ পাঠৰী চাৰিআলিৰ শংকৰদেৱে শিশু বিদ্যা নিকেতনত জ্ঞান-বিজ্ঞান প্ৰদৰ্শনী প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। নগাঁও সংকুলৰ উদ্যোগত অনুষ্ঠিত জ্ঞান-বিজ্ঞান প্ৰদৰ্শনী প্ৰতিযোগিতাত নগাঁও জিলাৰ ভিন্ন প্ৰান্তৰ পৰা অহা শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ একক প্ৰচেষ্টাত আধুনিক যুগত ব্যৱহৃত কেইবাটাও প্ৰকল্পৰ আৰ্হি নিজ হাতেৰে নিৰ্মাণ কৰি নিজৰ প্ৰতিভাৰ নিৰ্দেশন দাঙি ধৰাৰ লগতে বিজ্ঞান ভিত্তিত কুইজ প্ৰতিযোগিতাতো অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভৰণিতে বন্তি প্ৰজ্বলন কৰে শংকৰদেৱ বিদ্যা নিকেতন পৰিচালনা সমিতিৰ সভাপতি যোগেশ্বৰ শইকীয়াই। প্ৰদৰ্শনীৰ শুভ উদ্বোধন কৰে পৰিচালনা সমিতিৰ সম্পাদক ধীৰেণ চক্ৰৱৰ্তীয়ে। প্ৰদৰ্শনী প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰা সন্দৰ্ভত নগাঁও আমোলাপট্টিৰ শংকৰদেৱ শিশু বিদ্যা নিকেতন প্ৰধান আচাৰ্য তথা বিভাক সংযোজক আৰু অসমৰ শিশু শিক্ষা সমিতিৰ সদস্য সুমিত সৰকাৰে কয়- অনুষ্ঠিত কৰা জ্ঞান-বিজ্ঞান মেলা প্ৰদৰ্শনীৰ মূল উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰী সকলে নিজৰ বিজ্ঞান-প্ৰযুক্তিৰ কাৰিকৰী কৌশলৰে ভৱিষ্যতে যাতে এজন সু-বিজ্ঞানী হিচাপে নিজক নিজেই প্ৰতিষ্ঠিত কৰিব পাৰে তাৰেই কিছু প্ৰয়াস কৰা হৈছে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকল যদি নিৰ্বাচিত হয় তেনেহ'লে পৰৱৰ্তী সময়ত ৰাজ্য আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰিব পাৰিব। এই পদক্ষেপৰ বাবে শিশু শিক্ষা সমিতি অসমক মই ধন্যবাদ জনাইছো বুলি কৈ সমগ্ৰ অসমৰ লগতে নগাঁওবাসী ৰাইজৰ মাজলৈএক মন্তব্য আগবঢ়ায়। প্ৰায় দুশ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হোৱা এই প্ৰদৰ্শনীখনিত ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম মানলৈ আৰু নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ দুটা শাখাত অন্তৰ্ভুক্ত কৰা হৈছে বুলিও নিকেতন পৰিচালনা সমিতেয়ে জনায়। উল্লেখ্য যে বিচাৰক স্মৃতি ৰঞ্জন চমুৱা আৰু ভবেন্দ্ৰ বৰুৱাৰ তত্বাৱধানত অনুষ্ঠিত হোৱা জ্ঞান-বিজ্ঞান প্ৰদৰ্শনী প্ৰতিযোগিতাত সংকুল সংযোজক তথা প্ৰধান আচাৰ্য জীৱন শইকীয়া, জিলাখনৰ ভিন্ন প্ৰান্তৰ শিশু নিকেতনৰ পৰা অহা প্ৰধান আচাৰ্য ক্ৰমে-অৰুণ শইকীয়া, দিগেন বৰা, নিৰঞ্জন প্ৰধান, সঞ্জীৱ দাস উপস্থিত থাকে। অনুষ্ঠানত পাঠৰী শংকৰদেৱে শিশু বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য পৱিত্ৰ বৰঠাকুৰে অনুষ্ঠান ভাগ সুকলমে চলাই নিয়াত পাঠৰী শিশু নিকেতনৰ সমূহ আচাৰ্য-আচাৰ্যা কৰ্মচাৰীসকলক শলাগ লয়। অনুষ্ঠানত কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ওপৰত বক্তৃতা আগবঢ়ায়।

# লেখক-সাংবাদিক পৰেশ বৈশ্যলৈ সাহিত্য বঁটা



**গুৱাহাটী ঃ** লেখক-সাংবাদিক তথা বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্যক ২০২৫ বৰ্ষৰ 'সাহিত্যিক পেঞ্চনাৰ অধ্যাপক দেৱান আব্দুল কাদিৰ সাহিত্য বঁটা'ৰ বাবে মনোনয়ন কৰিছে। হাউলীৰ শৈক্ষিক প্ৰতিষ্ঠান ছাবলাইম ফাউণ্ডেচনে বিশিষ্ট সাহিত্যিক- শিক্ষাবিদ প্ৰয়াত দেৱান আব্দুল কাদিৰৰ স্মৃতিত প্ৰতিষ্ঠা কৰা উক্তটো বঁটা বিগত কেইবাবছৰো ধৰি ৰাজ্যৰ বিশিষ্ট সাহিত্যিকক প্ৰদান কৰি আহিছে। অহা ৫ ছেপ্টেম্বৰত হাউলীৰ ছাবলাইম একাডেমিত অনুষ্ঠিতব্য এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে বৈশ্যই সাহিত্য, সংস্কৃতি, ইতিহাস, সাংবাদিকতা, শৈক্ষিক আদি বিষয়ৰ তিনি শতাধিক গ্ৰন্থ লিখি অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিছে।

# নগাঁৱত 'অংগদান-জীৱন সঞ্জীৱনী অভিযান




**নগাঁও ঃ** নিস্বাৰ্থতাৰ গভীৰ প্ৰতিফলনত নগাঁওবাসী গৌতম চন্দ্ৰ সাহা (৬৪) আৰু তেওঁৰ পত্নী সোমা সাহা (৫৬)য়ে মৃত্যুৰ পিছত ৰাষ্ট্ৰীয় অংগ আৰু সিৰ সংৰোপণ সংস্থা (ন'ট')ৰ জৰিয়তে নিজৰ অংগ আৰু সিৰ দান কৰাৰ প্ৰতিশ্ৰুতি দিছে। তেওঁলোকৰ এই দায়বদ্ধতা 'অংগদান-জীৱন সঞ্জীৱনী অভিযান' ভাৰত চৰকাৰে অংগদানৰ প্ৰসাৰৰ বাবে দেশজোৰা অভিযানৰ সৈতে সামঞ্জস্যপূৰ্ণ। শেহতীয়াকৈ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত এন জি অ' 'টাচ অৱ হিউমেনিটি'ৰ উদ্যোগত আয়োজিত এক অনুষ্ঠানৰ সময়ত বিধায়ক ৰূপক শৰ্মাই দম্পতীহালক এই উদাৰ সিদ্ধান্তৰ বাবে সম্বৰ্ধনা জনায়। এই সামাজিক স্বীকৃতিয়ে এক শক্তিশালী বৈজ্ঞানিক স্বভাৱৰ দ্বাৰা অনুপ্ৰাণিত হৈ ৰাষ্ট্ৰীয় স্বাস্থ্য আন্দোলনত সম্প্ৰদায়ৰ নেতৃত্বত লোৱা পদক্ষেপৰ ক্ৰমবৰ্ধমান গুৰুত্বক উজ্বল কৰি তুলিছে। পাইকাৰী ঔষধ বিক্ৰেতা প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী গৌতম চন্দ্ৰ সাহা আৰু তেওঁৰ পত্নী সোমা সাহা, এগৰাকী নিষ্ঠাবান গৃহিণী আৰু পৰিয়ালৰ মেট্ৰিয়াৰ্কে যকৃত, বৃক্ক, হৃদযন্ত্ৰ, হাওঁফাওঁ, ছাল, হাড়, কৰ্ণিয়াকে ধৰি তেওঁলোকৰ সকলো জীৱনমুখী অংগ আৰু সিৰ দান কৰাৰ প্ৰতিশ্ৰুতি দিছে। তেওঁলোকৰ প্ৰতিশ্ৰুতি আনুষ্ঠানিকভাৱে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ অধীনস্থ শীৰ্ষ সংস্থা NOTTOত পঞ্জীয়ন কৰা হৈছে, যিয়ে অংগ আৰু সিৰ দানৰ বাবে ৰাষ্ট্ৰীয় নেটৱৰ্কৰ তদাৰক কৰে।

# ৰামো নাই, অযোধ্যাও নাই

■ চন্দ্ৰনাথ দাস

পুৰণি কালত অযোধ্যাৰ ৰজা শ্ৰীৰাম চন্দ্ৰ এজন প্ৰজা বৎসল্য ৰজা আছিল। তেওঁৰ দেউতাকৰ নাম আছিল দশৰথ ৰজা। ৰজা দশৰথে তিনি গৰাকী পত্নী বিয়া কৰাইছিল। তেওঁলোক আছিল যথাক্ৰমে কৌশল্যা, কৈকেয়ী আৰু সুমিত্ৰা। ৰাণী কৌশল্যাৰ পুতেকৰ নাম আছিল শ্ৰীৰাম চন্দ্ৰ, ৰাণী কৈকেয়ীৰ পুতেক আছিল দুজন ক্ৰমে ভৰত আৰু শত্ৰুঘ্ন আৰু ৰাণী সুমিত্ৰাৰ পুতেকৰ নাম আছিল লক্ষ্মণ। তেওঁলোক চাৰিওজন ককাই-ভাইৰ মাজত সৰুৰে পৰাই বৰ মিলাপ্ৰীতি আছিল। ৰজা শ্ৰীৰাম চন্দ্ৰই প্ৰজাসকলক বৰ মৰম আৰু শ্ৰদ্ধা কৰিছিল। সকলো সময়তে তেওঁ প্ৰজা সকলৰ সুখ দুখৰ খবৰ ৰাখিছিল। তেওঁৰ ৰাজ্যখন সুজলা সুফলা আৰু শস্য শ্যামলা আছিল। চাৰিওফালে শস্যে মৎস্যে নদন বদন আছিল। ৰাজ্যত কোনো বস্তুৰ অভাৱ নাছিল। তেওঁৰ ৰাজত্ব কালত প্ৰজা সকলে বৰ সুখে শান্তিৰে দিন অতিবাহিত কৰিছিল। তেওঁ স্বয়ং ভগৱান বিষ্ণুৰ অৱতাৰী পুৰুষ আছিল। তেওঁ অত্যন্ত মৰমীয়াল আৰু প্ৰজা পালক ৰজা আছিল। সেয়েহে, বৰ্তমান সময়ত গণতান্ত্ৰিক শাসন ব্যৱস্থাত কেতিয়াবা কোনো ক্ষেত্ৰত কোনো আসোঁৱাহ পৰিলক্ষিত হ'লেই প্ৰজাসকলে কোৱাকুই কৰে যে এতিয়া সেই 'ৰামো নাই, অযোধ্যাও নাই।'

## সময়েও গতি সলাই

**ৰূপালী গগৈ চুতীয়া**
ডিব্ৰুগড়

জীৱন ঘড়ীৰ কাটা
কোনে ঘূৰাই
সুখ দুখৰ নাটকখন
কোনে চলাই
আমিও জানো সেই দুল
আমাৰ হাতত নাই।
ধুমুহাৰ বৃষ্টি আহে আৰু যায়
সময়েও গতি সলাই
পৃথিৱীৰ সমস্তবোৰ
জীয়াই থাকোঁতে নিজৰ কৰাৰ
হাবিয়াসবোৰে তেওঁকেই
খুলি খুলি খাই।
ওৰে জীৱন মৰাক মাৰি
নিজৰ কৰাৰ সপোন
কেঁচা কলিজাৰ ঘাঁ শুকুৱাবলৈ
আজি তেওঁৰ চকুলোত
ঠাই আৰু নাই।
মনে মনে কান্দিছে
আনে দেখাকৈ হাঁহিছে
আজি নিজকে আঁতৰাই
সুখী হৈছে কিয় জানানে?
জীৱন ঘড়ীৰ কাটা
মন গ'লেই নিজেই ঘূৰাই
নিজেই ঘূৰাই।

## গতানুগতিক

**প্ৰভাত বণিয়া**

গতানুগতিকভাৱে
দিনবোৰ গৈ আছে
অতীত, বৰ্তমান আৰু ভৱিষ্যত
কান্ধ পাতি লৈ আগবাঢ়িছো
সময়ে ঘূৰাই লৈ ফুৰাইছে যেনি-তেনি
আজি যাক লগ পাইছোঁ
অন্তৰৰ কথাবোৰ খোলা-খুলিকৈ পাতিছো
কাইলৈ তেওঁ অতীত হ'ব
পাহৰি যাব মৰম চেনেহ
ভাই-ককাই, দেউতা, ককা-আইতা
আৰু চেনেহী আইৰ
কোলাৰ কেঁচা উত্তাপ
হয় কথাবোৰ গতানুগতিক
কোন আপোন কোন পৰ চিনিবকে নোৱাৰি বন্ধু হৈ
মনৰ কথাবোৰ লৈছে
প্ৰতিশ্ৰুতিৰে আভুৱা ভাৰিছে
দুৱাৰ খুলি দি বৰঘৰত বহুৱাই
মিতিৰৰ ভাও লৈ
পিছ দুৱাৰেদি নিৰ্লজভাৱে
তেঁৱেই এদিন
ঠেলি বাহিৰলৈ পঠাব

ঠগ বঞ্চনা প্ৰৱঞ্চনা এতিয়া সমাজত তেনেই সুলভ
ছলাহি কথাত পতিয়ন গৈ
নিৰ্জুজনে দুষ্টলোকৰ হাতোৰাত বন্দী হৈ কিমান যে
জীয়াতু ভোগে।

ভাল দিনত আশীৰ্বাদ ভিক্ষাৰী হৈ
যিসকল আজি আঢ্যৱন্ত
তেওঁলোক গৰ্ব অহংকাৰত মত্ত
কাকো কোনেও নাপায় চিনি
একো একো জন পৰিপক্ক অভিনেতা
স্বাৰ্থপৰতাৰ মুখা উদঙাই সমাজত দেখুৱায়
তেওঁলোকেই ডাঙৰ মানুহ
কোৱা হয় সময় নিষ্ঠুৰ সময়ে ৰাখে হিচাপ নিকাচ
উলট পালট হৈ যায় দৈনন্দিন ঘটনা-পৰিঘটনা
ধূলিস্যাৎ হয় গৰ্ব অহংকাৰ
বিষয় বাসনা এনেদৰে
দিনবোৰ গৈ আছে
অত্যন্ত গতানুগতিকভাৱে।

## শাওণৰ বাটে সৃষ্টিৰ এমুঠি শইচ

**যমুনা দুলু বৈশ্য,** শুৱালকুছি

শাওণৰ বাটে আহে
সৃষ্টিৰ এমুঠি শইচ পথাৰলৈ
খেতিয়কৰ দহো আঙুলিৰ
পৰিশ্ৰমৰ হেঁপাহ।
হালোৱা ককাইৰ হাতৰ মুঠিত
নাঙলৰ গৰুহালৰ স'তে
সপোনৰ গজালি মেলে,
পিতাইৰ আশাৰ হাঁহি ফুলে
চহা জীৱনৰ পথৰুৱা সুখ।
পথাৰৰ মোহে সেউজীয়া ধাননি দৰা
ৰোৱনীৰ দুহাততে ৰুৱা
চোকা ৰ'দে গা পুৰা,
মাটি আৰু খেতিয়কৰ পৰম্পৰা
এৰিব নোৱাৰা সোণগুটি কৃষকৰ
বুকুত জাগে আহিব
আঘোণীলৈ গাভৰু পথাৰ।

## অনুভৱৰ আকাশত

**বিনিময় দাস**

উদয়ৰ পৰা অস্তলৈ মই প্ৰতিদিনে
অৰাজকতাৰ কাঁইটবোৰ গচকি যাঁও,
অনবৰতে দেখা পাঁও
সূৰ্যৰ পোহৰক টানি এচামে
স্বস্থান উজলায়,
আৰু আপোন হাতেৰে সৃষ্টি কৰে প্ৰতিবন্ধকতা,
পৰৰ বৃত্তত এন্ধাৰ বিয়পায়।
তথাপি মোৰ অনুভৱৰ আকাশত
শান্তিৰ চৰাই উৰে,
মোৰ অনুভৱৰ আকাশত
সাম্যতাই বিৰাজ কৰে।

**ম'বাইল ঃ** ৯৪৩৫৫-৩৭৫৯১

## প্ৰভ্ৰষ্ট

**জ্যোতিস্মিতা বৰা,** যোৰহাট

সময়ৰ কোৱাল সোঁতত সাঁতুৰি
ভৱিষ্যতৰ সন্ধানত
জন্মলগ্নৰ পৰা দেখি অহা
সেই নিপতিত বাটেৰেই বাট বুলি...
মই সেই বাটেৰেই বাট মেলিছিলো আই
যি বাটেৰে আনজন যায়,
তয়ো গৈছিলি,
তই কোৱাৰ দৰে সময়বোৰ একে নাছিল
আমি প্ৰতিযোগিতামুখী হৈ
আন্ধাৰৰ মাজেৰেই খেপিয়াই ফুৰিছিলো
স্বাধীনতাৰ একাজলি অশ্ৰু।
কিন্তু কি জান আই
স্বাধীনতাৰ পতন হ'ল
সততা বিলীন হ'ল বিস্মৃতিৰ গৰ্ভত।
মাথোঁ আমিবোৰে সপোন খেদি গৈ
জঁপিয়াই পৰিলোঁ বৈতৰণীৰ সিপাৰে
য'ত মহামানৱতাক উপহাস কৰি
তদ্ৰূপ মগজুৱে কিৰিলি পাৰে।

নিজক স্বাধীন কৰিব হৈ মই
নিজস্বতা হেৰুৱালোঁ আই,
কেনেকৈ জানিছিলোঁ,
যে স্বাধীনতাৰ বিনিময়ত সেই বন্য শ্বাপদবোৰে
খহাই নিব মোৰ দেহৰ টুকুৰা টুকুৰ তেজ,
কেনেকৈ জানো,
যে প্ৰত্যেকজনী ছোৱালী নাৰী হোৱা পৰ্যন্ত
এই যে বাট সহজ নহয়,
তই কিয় বুজাই নিদিলি আই?
কিয় আজিৰ এই সমাজে ভৱিষ্যত প্ৰজন্মৰ পতনত
কিৰিলি পাৰি অট্টাহাস্য কৰিছে,
হাঁহি ল,
এইয়াই হয়তো তহঁতৰ শেষ চিকাৰ
এইয়া হয়তো শেষ সমাজ।

**ম'বাইল ঃ** ৮৪৭৪৮-৯৪৫৩৬

# আপুনি আগবাঢ়ি থকা ৰাস্তাবোৰত খাল খান্দিবলৈ ধৰিলে চিন্তিত নহ'ব

**■ চন্দ্ৰ শেখৰ পৰাজুলী**
বিশ্বনাথ চাৰিআলি, অসম



**মা**নুহে খাল এখন খান্দি লোৱাৰ কেতিয়া প্ৰয়োজনীয়তা বোধ কৰে জানেনে? আমি যেতিয়া উচ্চবা সমতল ঠাইৰ পৰা যিকোনো গোটা, জুলীয়া, তৰল পদাৰ্থক নিম্নগামী বা তললৈ নমাই আনিবলৈ খাল খান্দিবলৈ ইচ্ছা প্ৰকাশ কৰোঁ। কিন্তু ইয়াত মানুহৰ হিতৰ ওপৰত সম্পূৰ্ণভাৱে ধ্যান কেন্দ্ৰিত কৰা হয় নহয়নে? আৰু কেতিয়াবা প্ৰয়োজনবশত নিম্ন খালযুক্ত ঠাইবোৰৰ পৰাও আৰু অধিক তললৈ খান্দি নিজা প্ৰয়োজনীয়তা পূৰণ কৰা দেখিবলৈ পোৱা যায়। অৰ্থাৎ মানুহে নিজৰ লাভালাভৰ কথা আগত ৰাখি কাৰো একো এটা ক্ষতিসাধন নোহোৱাকৈ আমাৰ জীৱন নিৰ্বাহ কৰা ঠাইখনৰ পৰা খাল খান্দি লোৱাৰ অধিকাৰ সকলোবোৰ মানুহৰ হাতত উপলব্ধ আছে। এতিয়া কথা হ'ল মানুহে মানুহৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি হয়তো দৃশ্যমান খাল সকলোবোৰ মানুহে খান্দিব পাৰে। তাতে কোনোধৰণৰ মানুহৰে হয়তো আপত্তিজনক স্থিতি উদ্ভৱ হ'ব নোৱাৰে নহয়নে? কিন্তু এজন মানুহে অন্যান্য সাধাৰণ মানুহৰ তুলনাত যদি আৰু অধিক ৰূপত সফলতাৰ ফালে আগুৱাই যায় তেন্তে কিছুমান মানুহৰ বেয়া দৃষ্টি পৰাৰ উপৰিও সফলতাৰ দিশত গতি কৰা মানুহৰ ৰাস্তা সমূহত এক অদৃশ্যমান খাল খান্দি খান্দি যোৱাৰ অপচেষ্টা চলাই থকা দেখিবলৈ পোৱা যায়। ইয়াৰ একমাত্ৰ কাৰণ হ'ল সফলতাৰ মাৰ্গত আগুৱাই যোৱা ব্যক্তিগৰাকীক কেনেকৈ তললৈ নমাই আনি খালত পেলাই দিব পাৰি। যাতে ইয়াৰ পৰৱৰ্তী সময়বোৰত আগুৱাই যোৱাৰ প্ৰয়াস দ্বিতীয়তে আৰু নকৰে। এইয়াই বৰ্তমান সময়ৰ বেচিভাগ মানুহৰে মুখ্য চৰিত্ৰ বুলি কলেও ভুল নহ'ব। কাৰণ এতিয়াৰ বেচিভাগ মানুহে নিজে আগুৱাই যোৱাৰ প্ৰয়াস নকৰে লগতে অন্যান্য আগুৱাই যাবলৈ ইচ্ছা প্ৰকাশ কৰা মানুহৰ ৰাস্তা সমূহত ষড়যন্ত্ৰৰ নিৰ্মাণ কৰি অদৃশ্যমান ডাঙৰ ডাঙৰ খাল খান্দিবলৈ প্ৰস্তুত থকা দেখা যায়। কিন্তু ইয়াতে আপোনালোকৰ আগত এটা কথা স্পষ্ট আকাৰত কৈ দিব বিচাৰোঁ যে, আপুনি আগবাঢ়ি থকা ৰাস্তাবোৰত খাল খান্দিবলৈ ধৰিলে চিন্তিত নহ'ব। কাৰণ যিবোৰ মানুহে আপোনাৰ ৰাস্তাবোৰত খাল খান্দি পেলাবলৈ যত্ন কৰিছে সেইসমূহ মানুহৰ কাৰণে আপুনি এটা সময়ত গৈ গৈ নিজা ব্যক্তিগত জীৱনত দীঘল দীঘল জাপ দিবলৈ শিক্ষা লাভ কৰিব। গতিকে জীৱনত সময়ে সময়ে দীঘলীয়া জাপ মাৰিবলৈ হ'লে আপোনালোকৰ যাত্ৰা পথত অদৃশ্যমান খাল খান্দিলোৱা মানুহৰ অতি প্ৰয়োজনীয়তা আছে।

বৰ্তমান সময়ত মানুহে মানুহৰ হিতৰ বিষয়ে চিন্তা কৰাৰ বিপৰীতে বেচিকৈ মানুহৰ অহিতৰ কথা চিন্তা কৰে। এতিয়াৰ সময়ত মানুহে মানুহৰ হাতত হাত ধৰি আগুৱাই লৈ যোৱাৰ পৰিৱৰ্তে কেনেকৈ অন্যান্য মানুহক খালত পেলাই নিজে কিন্তু উচ্চতম আসন দখল কৰি থাকিব পাৰি তাৰে যত্ন কৰা দেখিবলৈ পোৱা যায়। কিন্তু মানুহবোৰ বৰ্তমানে কিয় পাহৰি গৈছে যে এজন অসহায় মানুহক ওপৰত উঠাই লৈ অহা মানে নিজেও আৰু অধিক উচ্চতাৰ ফালে আগুৱাই যোৱাৰ অগ্ৰাধিকাৰ লাভ কৰা। গতিকে সফলতা মাৰ্গত গতি কৰা মানুহৰ গতি পথত খাল খান্দি বাধা প্ৰদানৰ অপচেষ্টা কৰাতকৈ সফলতাৰ দিশে আগুৱাই যোৱা ব্যক্তিৰ হাতত হাত ধৰি নিজেও আগুৱাই যোৱাৰ যত্ন কৰা উচিত হ'ব। নহ'লে আপুনি কেৱল খাল খান্দি থকাতে ব্যস্ত হৈ থাকিব আৰু আনফালে মানুহবোৰে খালবোৰ জঁপিয়াই জঁপিয়াই আপুনি অনুমান কৰাতকৈ বহু দূৰ আগুৱাই যাবলৈ সক্ষম হ'ব।

# ধৈৰ্য্যই সাহসৰ মূল

**■ প্ৰাণ প্ৰতিমা বড়া,** গুৱাহাটী

**মা**নুহৰ জীৱন নানানটা সমস্যাৰে জৰ্জৰিত। জীৱনৰ গতিপথ কেতিয়াও সহজলভ্য নহয় । কিন্তু জীৱনৰ গতিপথ সহজলভ্য কৰিবলৈ মানুহৰ আটাইতকৈ প্ৰয়োজনীয় অস্ত্ৰ হৈছে ধৈৰ্য্য। ধৈৰ্য্যশীল মানুহে দৈনন্দিন জীৱনত সন্মুখীণ হোৱা সমস্যাক সমাধান কৰিবলৈ উপায় বিচাৰি পায়।

মানুহৰ শৰীৰৰ কোনো মূল্য নাই। মৃত্যুৰ পিছত মাটিৰ দেহা মাটিতে মিহলি হয়। কিন্তু মানুহৰ আত্মাৰ মূল্যহে বেছি। আত্মাবোৰ ভগৱানৰ অংশ। কিন্তু আমি মানুহবোৰে আত্মাৰ অস্বিত্বক উপলব্ধি কৰিবলৈ অপাৰগ। আমি মানুহৰ মাজত ধুনীয়া-বেয়া, ক'লা-বগা, দোষ-গুণ বিচাৰি ফুৰো। কিন্তু আমি আত্মাৰ উপলব্ধি কৰিব নোৱাৰোঁ। যাৰ ফলত আমাৰ মাজত বিভিন্ন অৰাজকতাৰ সৃষ্টি হয়। সেইকাৰণে আমি মানুহবোৰ অসুখী হৈ পৰোঁ।

মানুহৰ জীৱন সুখ-দুখৰ সমাহাৰ। কেতিয়াবা যদি আমি সুখী অনুভৱ কৰোঁ, কেতিয়াবা আকৌ বিভিন্ন কাৰণত দুখী হৈ পৰোঁ। সুখত আত্মহাৰা হোৱাৰো কোনো প্ৰয়োজন নাই আৰু দুখত ভাগি পৰাৰো কোনো কাৰণ নাই। মানুহৰ জীৱনটোৱেই অনিশ্চয়তাৰ আৱৰ্তত ঘূৰি থাকে। মানুহৰ জীৱনটোও চিৰস্থায়ী নহয়। গতিকে মানুহৰ জীৱনত কেতিয়াবা সুখৰ আগমণ হয় আৰু কেতিয়াবা দুখৰ। গতিকে সকলো সময়তে কিন্তু আমাক ধৈৰ্যৰ প্ৰয়োজন হয়। এককথাত ক'বলৈ গ'লে সুখ-দুখৰ সমাহাৰেই মানুহৰ জীৱন। পূৰ্ণিমাৰ পিছত যেনেদৰে অম্যাৱস্যাৰ আগমণ হয়, অমাৱস্যাৰ পিছত পূৰ্ণিমাৰ আগমণ হয়, ঠিক তেনেদৰে আমাৰ জীৱনটো সুখ আৰু দুখে লুকা-ভাকু খেলে। চিৰকালে আমি সুখী হৈ থাকিব নোৱাৰোঁ আৰু চিৰকালে আমিও দুখীও হৈ থাকিব নোৱাৰোঁ। গতিকে ধৈৰ্য এনে এবিধ অস্ত্ৰ যিয়ে আমাক জীৱনৰ সকলো সময়তে সাহসেৰে আগবাঢ়ি যাবলৈ পথ দেখুৱায়।

**ম'বাইল ঃ** ৭৩৯৯৯-২৪৬৫৮

*প্ৰথম পৃষ্ঠাৰ পৰা*

## সমগ্ৰ অসমত বৰ্তমান প্ৰায় ১০০খন ষ্টেডিয়াম নিৰ্মাণ কৰি থকা হৈছেঃ মুখ্যমন্ত্ৰী

দুয়োখন একাডেমীতে খেলুৱৈসকলক আন্তঃৰাষ্ট্ৰীয় মানৰ প্ৰশিক্ষকৰ জৰিয়তে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই একাডেমি দুখনৰ জৰিয়তে ফুটবল আৰু ক্ৰিকেটৰ দুটা ডাঙৰ আন্তঃগাঁথনি নিৰ্মাণ কৰা হৈছে। ই উদীয়মান খেলুৱৈসকলক সহায় কৰিব আৰু উৎসাহিত কৰিব। একাডেমি দুখনৰ খেলুৱৈসকলক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় মানৰ প্ৰশিক্ষকৰ জৰিয়তে প্ৰশিক্ষণ দিয়াৰ লগতে তেওঁলোকক নিয়মীয়া নিৰীক্ষণত ৰাখিলে আশা কৰাৰ দৰে ভাল ফল আহিব। ক্ৰীড়া প্ৰতিভাৰ বিকাশত ভালকৈ মনোযোগ দিলে একাডেমী দুখন স্থাপনৰ উদ্দেশ্য পূৰণ হ'ব। ২০০৩-০৪ চন পৰ্যন্ত অসমত গুৱাহাটীৰ নেহৰু ষ্টেডিয়াম আৰু যোৰহাটত থকা এখন ষ্টেডিয়ামৰ বাহিৰে আন কোনো উন্নতমানৰ ক্ৰীড়া আন্তঃগাঁথনি নাছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সম্প্ৰতি অসমত যিমান ক্ৰীড়া আন্তঃগাঁথনিৰ প্ৰয়োজন, তাতকৈ ৰাজ্যখন এখোজ আগুৱাই আছে। ৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠিত কৰাৰ সময়ত আৰু পৰৱৰ্তীকালত অসমত কেবাটাও আন্তঃৰাষ্ট্ৰীয় মানৰ আন্তঃগাঁথনি নিৰ্মাণ হোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে এতিয়া সৰুসজাইত থকা ষ্টেডিয়ামখনৰ বাহিৰেও বৰ্ষাপাৰাত বিচিচিআইৰ সহযোগত এখন ক্ৰিকেট ষ্টেডিয়াম নিৰ্মাণ হ'ল। বৰ্ষাপাৰা ষ্টেডিয়ামৰ সৈতে প্ৰায় সমান সুবিধা থকা এখন ষ্টেডিয়াম আমিনগাঁৱত নিৰ্মাণ কৰি থকা হৈছে। আগন্তুক ২-৩ মাহৰ ভিতৰত ৭০০ কোটি টকা ব্যয়ৰে নেহৰু ষ্টেডিয়ামক এখন ফিফা মানসম্পন্ন ফুটবল ষ্টেডিয়াম হিচাপে পুনৰ নিৰ্মাণৰ কাম আৰম্ভ হ'ব। ডিব্ৰুগড়ত সৰুসজাই ষ্টেডিয়ামতকৈ ডাঙৰ অসমৰ ভিতৰতে সৰ্ববৃহৎ এখন ষ্টেডিয়াম নিৰ্মাণ কৰি থকা হৈছে। কোকৰাঝাৰত ১৬০ কোটি টকা ব্যয়ৰে এখন ফুটবল ষ্টেডিয়াম, যোৰহাটত ২০০ কোটি টকা ব্যয়েৰে এখন ষ্টেডিয়াম নিৰ্মাণৰ কাম চলি আছে। অনাগত সময়ত অসমত ৰাষ্ট্ৰীয় ক্ৰীড়া উদযাপনৰ লক্ষ্য লোৱা হৈছে। সেয়ে চন্দ্ৰপুৰতো ক্ৰীড়া আন্তঃগাঁথনি নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছে। আমিনগাঁৱত থকা অত্যাধুনিক বেডমিন্টন ষ্টেডিয়ামৰ সমীপতে এটা অলিম্পিক মানসম্পন্ন ছুইমিং পুল নিৰ্মাণ কৰি থকা হৈছে। সমগ্ৰ অসমত বৰ্তমান প্ৰায় ১০০ খন ষ্টেডিয়াম নিৰ্মাণ কৰি থকা বুলি তেওঁ সদৰি কৰে। আনহাতে, অসমত আগন্তুক ২-৩ বছৰত বহুকেইটা বৃহৎ প্ৰতিষ্ঠানে উদ্যোগ স্থাপন কৰিব আৰু তেওঁলোকেও অসমৰ ক্ৰীড়াখণ্ড বিশেষকৈ ক্ৰীড়া একাডেমীক স্পনছ'ৰৰ বাবে আগ্ৰহী বুলি মন্তব্য কৰি ড° শৰ্মাই এই সুযোগ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। যোৰহাট, গুৱাহাটী আৰু কোকৰাঝাৰত অভিনৱ ফিউচাৰিষ্টিকছ প্ৰাইভেট লিমিটেডৰ সহযোগত স্থাপন কৰা উচ্চ মানসম্পন্ন প্ৰশিক্ষণ আৰু পুনৰ্বাসন কেন্দ্ৰ তিনিটাৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এনে সুবিধাৰ ক্ষেত্ৰত অসম দেশৰ ভিতৰতে শ্ৰেষ্ঠ বুলি অভিনৱ বিন্দ্ৰাই তেওঁক জনাইছে। কিন্তু সৰুসজাইত থকা কেন্দ্ৰটোৰ ব্যৱহাৰ খেলুৱৈসকলে আশা কৰা ধৰণে কৰা নাই বুলি তেওঁ আক্ষেপ প্ৰকাশ কৰে। অসমত থকা ক্ৰীড়া সুবিধাসমূহৰ সঠিক ব্যৱহাৰেৰে ৰাজ্যত ভাল খেলুৱৈ সৃষ্টি কৰি ক্ৰীড়াক্ষেত্ৰত অসমৰ সফলতাক পৰৱৰ্তী পৰ্যায়লৈ লৈ যোৱাৰ ওপৰত মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। অসমত থকা ক্ৰীড়া আন্তঃগাঁথনিৰ সমানুপাতিকভাৱে ভাল খেলুৱৈ সৃষ্টি হোৱা নাই বুলি মন্তব্য কৰি তেওঁ কয় যে আন্তঃগাঁথনি নহয়, খেলুৱৈহে মূল। বিগত পাঁচ বছৰত আমি হীমা, লাভলিনা, নয়নমণিৰ সফলতা দেখিলোঁ। কিন্তু অধিক সফলতা আজুৰি আনিব পৰাৰ সম্ভাৱনা অসমৰ আছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই ফুটবল একাডেমীৰ খেলুৱৈসকলৰ লগত কিছুসময় অতিবাহিত কৰাৰ লগতে বেট হাতত লৈ ক্ৰিকেট খেলৰো আনন্দ লয়। অনুষ্ঠানত জলসিঞ্চন আদি বিভাগৰ মন্ত্ৰী অশোক সিংহল, বিধায়ক দিগন্ত কলিতা, এন আৰ এলৰ পৰিচালন সঞ্চালক ভাস্কৰ জ্যোতি ফুকন, বিচিচিআইৰ সচিব তথা গুৱাহাটী টাউন ক্লাৱৰ সম্পাদক দেৱজিৎ শইকীয়া, প্ৰাক্তন ৰঞ্জি ক্ৰিকেটাৰ নৱ কমল ভূঞা প্ৰমুখ্যে কেবাগৰাকী বিশিষ্ট ব্যক্তি, ক্ৰীড়া সংগঠক, শতাধিক খেলুৱৈ, প্ৰশিক্ষক আৰু অভিভাৱক উপস্থিত থাকে।

## কবিসকল প্ৰজাপতি স্বৰূপ ঃ বসন্ত কুমাৰ গোস্বামী

হিচাপে উপস্থিত থাকি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে এইদৰে কয়। ইফালে সভাৰ আৰম্ভণিতে বিশিষ্ট সাহিত্য-সমালোচক, শিক্ষাবিদ প্ৰদীপ আচাৰ্যই বন্তি প্ৰজ্বলন কৰি মুখ্য অতিথিৰ আসন গ্ৰহণ কৰে। মুখ্য অতিথিৰ ভাষণত আচাৰ্যই নিজৰ ভাষণত কয় যে 'ব্যঞ্জিত অৰ্থৰ ফালে লৈ যাব পৰাটো হৈছে কবিৰ ধৰ্ম'। সভাৰ 'চিৰ চেনেহী মোৰ ভাষা জননী...' গীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত অঁনাতাৰ শিল্পী অঞ্জনা চক্ৰৱৰ্তীয়ে বৰগীত পৰিৱেশন কৰে। কবি সন্মিলন উপসমিতিৰ কাৰ্যকৰী সভাপতি ডাঃ নীলিমা ঠাকুৰীয়া হকে সঞ্চালনা কৰা অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই ভাষণ প্ৰসংগত কয় যে- 'অসম সাহিত্য সভাৰ এই অনুষ্ঠানৰ জৰিয়তে ৰাজ্যখনৰ সকলো কবিকে এই যাত্ৰাত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।' কবি সন্মিলন উপসমিতিৰ আহ্বায়ক নৱ ৰাজনে আঁত ধৰা অনুষ্ঠানটিত আমন্ত্ৰিত কবি নীলিম কুমাৰ, লুৎফা হানুম ছেলিমা বেগম, এম কামালুদ্দিন, অৰ্চনা পূজাৰী, সমীন্দ্ৰ হুজুৰি, ভূষণ কলিতা, জোনমণি দাস, বিজয় শংকৰ বৰ্মন, অংকুৰ ৰঞ্জন ফুকন, দ্বীপৰাজ আৰু সংগীতা মেধিয়ে দুটিকৈ কবিতা পাঠ কৰে। সন্মানীয় অতিথি হিচাপে কবি সন্মিলন উপসমিতিৰ উপসভাপতি হৰেন্দ্ৰ বৰা, মনোজ কুমাৰ দাস, কৰ্ণধাৰ সমিতিৰ সদস্য ধীৰেন শৰ্মা, কন্দৰ্প কুমাৰ শৰ্মা আদিয়ে অংশগ্ৰহণ কৰে। শেষত কবি সন্মিলন উপসমিতিৰ সহযোগী আহ্বায়ক প্ৰদীপ চন্দ্ৰ শৰ্মাই শলাগৰ শৰাই আগবঢ়োৱাৰ পাছত জাতীয় সংগীতেৰে অনুষ্ঠানৰ সফল সামৰণি পৰে।

## গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ সদ্যজাত কেঁচুৱাৰ বিশেষ যতন কক্ষ পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

অতিৰিক্ত মুখ্য সচিব ছুইটি ছাংচন, স্বাস্থ্য শিক্ষা বিভাগৰ সঞ্চালক আৰু এইমছৰ বিশেষজ্ঞ চিকিৎসকৰে এই তদন্ত সমিতিখন গঠন কৰা হৈছে। অহা তিনি বা চাৰি দিনৰ ভিতৰত তদন্ত সমিতিয়ে প্ৰতিবেদন দাখিল কৰিব। ইতিমধ্যে কৰ্তব্যৰত নাৰ্চগৰাকীক ৰাজ্য চৰকাৰে নিলম্বনৰ নিৰ্দেশ দিছে আৰু চিচি টিভিৰ মাধ্যমেৰে গোটেই বিষয়টো নিৰপেক্ষ তদন্ত কৰা হ'ব। ঘটনা সন্দৰ্ভত স্বাস্থ্য শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত সচিব সিদ্ধাৰ্থ সিঙক অসমৰ আটাইকেইখন চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ, শিশু বিভাগৰ মুৰব্বী অধ্যাপক আৰু স্ত্ৰী ৰোগ বিশেষজ্ঞসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে এই গোটেই বিষয়টো অৱগত কৰি ভৱিষ্যতে যাতে এনেধৰণৰ ঘটনাৰ পুনৰাবৃত্তি নহয়, তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

## জৈৱিক কৃষিত গুৰুত্ব দিবলৈ আহ্বান ৰাজ্যিক কৃষক মৰ্চাৰ সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্যৰ

বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ লগতে অসমত কৃষি সমবায় স্থাপনৰ পদক্ষেপ গ্ৰহণ কৰা বুলিও উল্লেখ কৰে। তেওঁ ভাষণত পঞ্জীয়ন কৰিবলৈ কৃষকসকলক আহ্বান জনোৱাৰ লগতে অৰ্গেনিক খেতিত গুৰত্ব দিবলৈ অনুৰোধ জনায়। সজাগতা সভাত উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে অসম ৰাজ্যিক বিজেপিৰ সম্পাদক ক্ৰমে বিতুপন দলে আৰু মহেশ দেউৰী, অসম ৰাজ্যিক কিষাণ মৰ্চাৰ উপ-সভাপতি ক্ৰমে ভাস্কৰ দাস, ভাস্কৰ হাজৰিকা, নিবাৰণ লহকৰ, কৃষক মৰ্চাৰ ৰাজ্যিক সম্পাদক সঞ্জীৱ বড়া লগতে ৰাজ্যিক আৰু জিলা কিষাণ মৰ্চাৰ বিষয়ববীয়াসকল আৰু ওদালগুৰি জিলাৰ প্ৰায় ৩০০ ৰো অধিক কৃষকসকল।

## শিৱসাগৰৰ সুদক্ষ ফটোগ্ৰাফাৰ সুকুমাৰ দে'ৰ মৃত্যু



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ নগৰৰ আমোলাপট্টিৰ এল কে বি ৰোডৰ সমীপৰ নিৱাসী তথা এজন দক্ষ ফটোগ্ৰাফী সুকুমাৰ দে' ৰ যোৱা ১৮ আগষ্টৰ নিশা ৫২ বছৰ বয়সত যোৰহাট চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। উল্লেখযোগ্য যে, শিৱসাগৰ চহৰৰ শুভম ষ্টুডিঅ' পৰিয়ালৰ এজন সুদক্ষ ফটোগ্ৰাফাৰ সুকুমাৰ দে'ৰ মৃত্যুত শিৱসাগৰ অঞ্চলত শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত সমন্বয় সাংস্কৃতিক গোষ্ঠী, বৃহত্তৰ শিৱসাগৰ প্ৰেছক্লাব, অসম নাট্য সন্মিলন-শিৱসাগৰ শাখা, স্পেকট্ৰাম অফছেট আৰু প্ৰকাশন, জিলা ভোজপুৰী পৰিষদ, দেৱালয় পৰিচালনা সমিতি, শান্তিবন শ্মশান সমিতিকে ধৰি বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰ, একমাত্ৰ জী, নাতি-নাতিনীসহ বহু গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যায়।

## বড়মপুৰ প্ৰেছ ক্লাৱৰ স্বাধীনতা দিৱস উদযাপন



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** সমগ্ৰ দেশৰ লগতে নগাঁও জিলাৰ বড়মপুৰ প্ৰেছ ক্লাৱৰ উদ্যোগত গোমোঠা গাঁৱৰ শ্ৰীশ্ৰীবিষ্ণুমন্দিৰ প্ৰাঙ্গণত যোৱা ১৫ আগষ্টত ৭৯ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱা ভাৰতৰ স্বাধীনতা আন্দোলনত দেশ মাতৃৰ হকে প্ৰাণাহুতি দিয়া মহান বীৰ শ্বহীদসকলৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰে কবি, লেখক তথা শিল্পী গোলাপ বৰাই। ইয়াৰ পিছতে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে প্ৰেছ ক্লাৱৰ সভাপতি যতীন্দ্ৰ কুমাৰ শইকীয়াই। প্ৰেছ ক্লাৱৰ সম্পাদক নিপুল বৰাই আঁত ধৰা অনুষ্ঠানত সমাজসেৱক তথা প্ৰবীণ অভিনেতা নৰেন্দ্ৰ নাথ বৰা, সমাজকৰ্মী কিৰণ কুমাৰ নেওগ, গণেশ চমুৱাই ভাৰতৰ স্বাধীনতা আন্দোলনত দেশৰ হকে যুঁজি মৃত্যুবৰণ কৰা মহান বীৰ শ্বহীদসকলক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰি স্বাধীনতা দিৱসৰ তাৎপৰ্য সম্পৰ্কে ভাষণ প্ৰদান কৰে। উক্ত অনুষ্ঠানৰ কাৰ্যসূচীত প্ৰেছ ক্লাৱৰ কাৰ্যকৰী সভাপতি বৰুণ জ্যোতি নেওগ, প্ৰাক্তন সম্পাদক জয়ন্ত বৰা, ধৰ্মপ্ৰাণ ব্যক্তি মহেন্দ্ৰ শৰ্মা, সমাজকৰ্মী লাতুমণি নেওগ, দেবেন বৰা, প্ৰেছ ক্লাৱৰ সদস্য লক্ষ্যজিৎ চমুৱা আদিয়ে অংশগ্ৰহণ কৰে।

## উৰিয়া গাঁৱত স্বাধীনতা দিৱস উদ্‌যাপন

### অসম আন্দোলনৰ শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** সমগ্ৰ দেশৰ লগতে নগাঁও জিলাৰ উৰিয়া গাঁৱটো যোৱা ১৫ আগষ্টত ৭৯ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে উৰিয়াগাঁৱস্থিত শ্বহীদ ভোগেশ্বৰী ফুকননী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পুৱা ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে ভাৰপ্ৰাপ্ত অধ্যক্ষ উৎপল বৰাই। সন্ধ্যা ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰাণাহুতি দিয়া মহান বীৰাঙ্গনাসকলৰ স্মৃতিত বিদ্যালয়খনত বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখযোগ্য যে, ঐতিহাসিক অসম চুক্তি স্বাক্ষৰিত হোৱাৰ ৪০ বছৰ সম্পূৰ্ণ হ'ল। সেই উপলক্ষে স্বাধীনতা দিৱসৰ সমান্তৰালকৈ উৰিয়া গাঁও ক্ষুদ্ৰ ব্যৱসায়ী সন্থাৰ উদ্যোগত অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ শ্বহীদসকলৰ স্মৃতিত উৰিয়াগাঁৱত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। অসম আন্দোলনৰ শ্বহীদ সকলৰ স্মৃতিত আছুয়ে নিৰ্মাণ কৰা উৰিয়া গাঁৱৰ শ্বহীদ বেদীত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে উৰিয়া গাঁও ক্ষুদ্ৰ ব্যৱসায়ী সন্থাৰ সভাপতি প্ৰভাত বৰা আৰু সম্পাদক ৰূপৰাম হাজৰিকাই। এই কাৰ্যসূচীত ভাৰপ্ৰাপ্ত অধ্যক্ষ উৎপল বৰা, সন্থাৰ যুটীয়া সম্পাদক বিতুমনি হাজৰিকা, দীপক বৰা, দুলাল বৰা আদিয়ে অংশগ্ৰহণ কৰে। আনহাতে উৰিয়া গাঁৱৰ শ্বহীদ ভোগেশ্বৰী ফুকননী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা স্বাধীনতা দিৱসৰ কাৰ্যসূচীটো উৰিয়া গাঁও ক্ষুদ্ৰ ব্যৱসায়ী সন্থাৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে।

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

অসম চৰকাৰ
পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ
অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান

# সবল মহিলা সবল সমাজ



উদ্যমিতাৰ দিশত আগুৱাই যাবলৈ
আত্মসহায়ক গোটৰ প্ৰতিগৰাকী অৰ্হতাসম্পন্ন মহিলাক

## ১০,০০০ টকাৰ
## উদ্যমিতা পুঁজি প্ৰদান অনুষ্ঠান




মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান

## মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ পুঁজি বিতৰণ সূচী

| বিধান সভা সমষ্টি | তাৰিখ (বৰ্ষ - ২০২৫) | মুখ্য অতিথি |
|---|---|---|
| নলবাৰী | ২২ আগষ্ট | ড° হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী, অসম |
| জাগীৰোড | ২৩ আগষ্ট | |
| মাৰ্ঘেৰিটা | ২৪ আগষ্ট | |
| ধুবুৰী | ২৫ আগষ্ট | শ্ৰীৰণজিৎ কুমাৰ দাস মন্ত্ৰী, অসম |
| পাথাৰকান্দি | ১ ছেপ্টেম্বৰ | ড° হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী, অসম |
| হোজাই | ২ ছেপ্টেম্বৰ | |
| জালুকবাৰী (ৰামছাৰাণী আঞ্চলিক পঞ্চায়ত আৰু উত্তৰ গুৱাহাটী পৌৰসভা এলেকাৰ বাবে আংশিকভাৱে) | ৩ ছেপ্টেম্বৰ | |
| লাহৰিঘাট | | শ্ৰীকৌশিক ৰায় মন্ত্ৰী, অসম |

| বিধান সভা সমষ্টি | তাৰিখ (বৰ্ষ - ২০২৫) | মুখ্য অতিথি |
|---|---|---|
| ঢেকিয়াজুলি | ৪ ছেপ্টেম্বৰ | ড° হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী, অসম |
| মানকাচৰ | ৬ ছেপ্টেম্বৰ | শ্ৰীকেশৱ মহন্ত মন্ত্ৰী, অসম |
| গৌৰীপুৰ | ১৬ ছেপ্টেম্বৰ | শ্ৰীৰণজিৎ কুমাৰ দাস মন্ত্ৰী, অসম |
| বিশ্বনাথ | ২৫ ছেপ্টেম্বৰ | ড° হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী, অসম |
| জোনাই | ২৬ ছেপ্টেম্বৰ | |
| তিনিচুকীয়া | ২৭ ছেপ্টেম্বৰ | |
| ৰংখাং | ২৮ ছেপ্টেম্বৰ | |




### উদ্যমিতাৰ ক্ষেত্ৰসমূহ

- কৃষি
- পশুপালন
- বয়নশিল্প
- হস্তশিল্প ইত্যাদি

ৰাজ্যজুৰি ৩০ লাখ+ মহিলালৈ বীজ মূলধন

মুঠ পুঁজি ৩০০০+ কোটি টকা

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত    Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 1683/25/22-August-25

# অসম সাহিত্য সভাৰ পবিত্ৰ পতাকাখন সুৰক্ষিত কৰাৰ দায়িত্ব যুৱ প্ৰজন্মই ল'ব লাগিব

## অসম সাহিত্য সভাৰ যুৱ সন্মিলনত প্ৰধান সম্পাদক দেৱজিৎ বৰা





**ৰমেন ভৰালী, বংশৰ ঃ** 'ভাষা হ'ল আমাৰ আত্মাৰ স্পন্দন। ইয়াৰ সংৰক্ষণ, সমৃদ্ধি আৰু বিকাশৰ দায়িত্ব মূলতঃ নৱপ্ৰজন্মৰ ওপৰতে নিৰ্ভৰ কৰি আছে।' অসম সাহিত্য সভাৰ কেন্দ্ৰীয় যুৱ সংসদৰ উদ্যোগত যোৱা ১৭ আগষ্টত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত অনুষ্ঠিত যুৱ-সন্মিলন অনুষ্ঠানত বিশেষভাৱে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে এইদৰে কয়। তেওঁ লগতে কয় যে অসম সাহিত্য সভাই সদায়েই যুৱ সমাজক অগ্ৰাধিকাৰ প্ৰদান কৰিবলৈ সদাসচেষ্ট। অসম সাহিত্য সভাৰ উপসভাপতি পদুম ৰাজখোৱাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি কয় যে অসম সাহিত্য সভাৰ পবিত্ৰ পতাকাখন সুৰক্ষিত কৰাৰ স্বাৰ্থত যুৱ প্ৰজন্মৰ প্ৰতিনিধিসকলে বিশেষভাৱে গুৰুত্ব দিব লাগিব। এই পতাকাখন জাতিৰ স্বাৰ্থত সুৰক্ষিত হৈ আছেনে নাই তাৰ প্ৰতিও সজাগ দৃষ্টি ৰাখিব লাগিব যুৱ প্ৰজন্মই। তেওঁ লগতে ব্যাখ্যা কৰে যে প্ৰতিটো প্ৰজন্মৰ সৃষ্টিশীল কৰ্মসমূহক অগ্ৰাধিকাৰ প্ৰদান কৰি সমাজেই আগবঢ়ায় নিব লাগিব সমাজৰ প্ৰতিজনৰ মাজলৈ। অসম সাহিত্য সভাৰ ধনভঁৰালী মণিৰাম লাহন, কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ড° জ্যোতিৰেখা হাজৰিকা, কেন্দ্ৰীয় প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথ, শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি যোগ গগৈ, জিলা প্ৰতিনিধি সন্তোষ দত্ত, উপসভাপতি ড° জীৱন কলিতা, অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি জ্যোতিপ্ৰসাদ গগৈ, অসম উচ্চতৰ মাধ্যমিক শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি হিমাদ্ৰীজ্যোতি দত্তই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰা সভাখন উদ্বোধন কৰে শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্তই। যুৱ সন্মিলনখন উদ্বোধন কৰি তেওঁ কয় যে যুৱ প্ৰজন্ম হৈছে সাহিত্য, সংস্কৃতি আৰু সমাজ চিন্তনক সলনি কৰিব পৰা শক্তি। সাহিত্য সভাৰ এই ধৰণৰ পদক্ষেপে নিশ্চয়েই আগন্তুক প্ৰজন্মক ভাষা-সংস্কৃতিৰ প্ৰতি অধিক দায়িত্বশীল কৰি তুলিব। সম্প্ৰতি সামাজিক বুদ্ধিমত্তাৰ প্ৰয়োজন হৈছে বুলি উল্লেখ কৰি তেখেতে লগতে কয় যে পৰিবৰ্তনৰ লগতে ৰূপান্তৰ লাগিব। আজি প্ৰযুক্তিয়ে মানুহক বহুদূৰ আগুৱাই নিছে যদিও গ্ৰন্থই দিয়া জ্ঞানতকৈ আন কোনো বস্তুৱেই শ্ৰেষ্ঠ হ'ব নোৱাৰে। অসম সাহিত্য সভাৰ অনুবাদ প্ৰকল্পৰ সঞ্চালক ড° হৃদয়ানন্দ গগৈয়ে বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গৱেষকৰ বক্তৃতা, দিখৌমুখ মহাবিদ্যালয়ৰ সুৰ সমলয় আৰু কবিতা আবৃত্তি, নাজিৰা মহাবিদ্যালয়ৰ গীত আৰু কবিতা, গড়গাঁও মহাবিদ্যালয়ৰ গীত, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ একক অভিনয়, দিহানাম, বৰগীত, দলীয় নৃত্য, চুকাফা একাডেমী চাৰু কলা মহাবিদ্যালয়ৰ ঠাইতে চিত্ৰ অংকন, চাবুৱা ডি ডি আৰ মহাবিদ্যালয়ৰ বক্তৃতা প্ৰমুখ্যে উজনি অসমৰ প্ৰায় ২০খন শিক্ষানুষ্ঠানৰ পৰা অহা ডেৰশতাধিক যুৱ প্ৰজন্মৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰি নিজা নিজা পাৰদৰ্শিতা প্ৰদৰ্শন কৰে। সভাপতিৰ ভাষণত অসম সাহিত্য সভাৰ উপসভাপতি পদুম ৰাজখোৱাই কয় যে যুৱ প্ৰজন্ম আমাৰ সমাজ-সংস্কৃতিৰ মূল চালিকা শক্তি। সেয়েহে সভাই গ্ৰাম্যস্তৰলৈকে যুৱকৰ চিন্তা, প্ৰতিভা আৰু উদ্যোগক মঞ্চ দিয়াৰ চেষ্টা কৰি আহিছে। এই যুৱ-সন্মিলন তাৰ এক উজ্বল উদাহৰণ। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ যুৱ বাণীৰ আলোচক ৰিংকু ৰিদীপ দত্ত, জাঁজী আঞ্চলিক ছাত্ৰ সন্থাই বিষয়ববীয়া, শিৱসাগৰ জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক দেৱযানী দীক্ষিতা গগৈ আৰু দিলীপ শইকীয়া, অসম সাহিত্য সভাৰ কুঁহি উপসমিতিৰ সদস্যা মীৰা বৰুৱা, আমগুৰি শাখা সাহিত্য সভা, গেলেকী নপুখুৰী শাখা সাহিত্য সভা, দিখৌমুখ শাখা সাহিত্য সভা, নামতি শাখা সাহিত্য সভাৰ বিষয়ববীয়া, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ শিক্ষক গোট, সাহিত্য চৰাৰ সদস্য-সদস্যাই উপস্থিতিত অনুষ্ঠিত হোৱা সন্মিলনখনত আদৰণি ভাষণ প্ৰদান কৰে যুৱ সংসদ উপসমিতিৰ কাৰ্যকৰী সভাপতি জীৱমণি নাথে। অসম সাহিত্য সভাৰ যুৱ সংসদ উপসমিতিৰ আহ্বায়ক গৌতম গগৈ, উপসমিতিৰ সদস্য ক্ৰমে অনিতা গগৈ, ড° অচ্যুত গগৈ, মিণ্টু দাস, মনোৰঞ্জন টায়ে, জাঁজী প্ৰেছ ক্লাব, গৌৰীসাগৰ প্ৰেছ ক্লাব, আমগুৰি প্ৰেছ ক্লাবৰ বিষয়ববীয়াসকলে সহযোগিতা আগবঢ়োৱা সভাখনত প্ৰতিগৰাকী অংশগ্ৰহণকাৰী যুৱ প্ৰতিনিধিক একোখনকৈ স্নেহপত্ৰৰে আদৰণী জনোৱা হয়। চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ হোৱা সভাখন জাতীয় সংগীত পৰিৱেশনেৰে সফল সমাপ্তি ঘটে।

# কাকমাৰি-জামগুৰি গাঁও পঞ্চায়তত হৰ ঘৰ ত্ৰিৰংগা যাত্ৰা



**বিশেষ সংবাদদাতা, নগাঁও ঃ** দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে সমগ্ৰ দেশৰ লগতে নগাঁও জিলাৰ কাকমাৰি আৰু জামগুৰি গাঁও পঞ্চায়তটো হৰ ঘৰ ত্ৰিৰংগা যাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বন্দে মা তৰম, হৰ ঘৰ ত্ৰিৰংগা ধ্বনিৰে দুয়োটা পঞ্চায়ত এলেকা মুখৰিত কৰি তোলে। এই কাৰ্যসূচীত স্থানীয় ৰাইজে সহযোগিতা আগবঢ়ায়। বিজেপিৰ পাখিমৰীয়া মণ্ডলৰ সহযোগত আয়োজন কৰা এই কাৰ্যসূচীত পঞ্চায়তৰ বিষয়া-কৰ্মচাৰী, জনপ্ৰতিনিধি আদিয়ে অংশগ্ৰহণ কৰে।







# অহৰহ প্ৰচেষ্টাই সাফল্যৰ পথ

■ প্ৰাণজিৎ মজুমদাৰ

**মা**নুহৰ জীৱনত সপোন, আশা আৰু লক্ষ্য থাকে। কিন্তু সেইবোৰ পূৰণ কৰিবলৈ কেৱল প্ৰতিভা বা জ্ঞানেই যথেষ্ট নহয়। সপোনক বাস্তৱলৈ আনে অহৰহ চেষ্টাই। অহৰহতা অৰ্থাৎ যিকোনো কামত অবিৰতভাৱে লাগি থাকিব পৰা ক্ষমতা, জীৱনৰ অন্যতম গুৰুত্বপূৰ্ণ গুণ। অহৰহতা মানুহক দৃঢ় মানসিকতা প্ৰদান কৰে। কেতিয়াবা কোনো কামৰ আৰম্ভণিত উৎসাহ অধিক থাকে, কিন্তু সময়ৰ লগে লগে সেই উৎসাহ কমি যায়। ফলত বহুজন মাজপথত কাম এৰি দিয়ে। কিন্তু যিজন ব্যক্তি ধৈৰ্যৰে আৰু অনবৰত চেষ্টা কৰি আগবাঢ়ে, তেওঁ শেষত সফল হয়। অহৰহতাই বিফলতাৰ পৰা শিক্ষালাভ কৰিবলৈ সহায় কৰে। প্ৰতিটো বিফলতা এটা নতুন অভিজ্ঞতা, যি ভৱিষ্যতৰ বাবে মূলধন স্বৰূপ। যদি কোনো ব্যক্তি বিফলতাৰ পিছত হাৰ মানি লয়, তেন্তে তেওঁৰ আগৰ সকলো প্ৰচেষ্টা ব্যৰ্থ হৈ পৰে। কিন্তু অহৰহ মনোভাৱ থকা ব্যক্তি পুনৰবাৰ চেষ্টা কৰে আৰু এদিন লক্ষ্যত উপনীত হয়। জীৱনৰ সকলো ক্ষেত্ৰতে অহৰহতাৰ প্ৰয়োজন। পঢ়াশুনা, চাকৰি, ব্যৱসায়, ক্ৰীড়া বা শিল্প-সকলোতে অবিৰত প্ৰচেষ্টা আৰু মনোযোগে সফলতাৰ দুৱাৰ খোলে। ই মাথোঁ সময়ৰ অপেক্ষা, কেতিয়াবা অলপ দেৰিও হ'ব পাৰে, কিন্তু যিজন অহৰহ চেষ্টা কৰি থাকে, তেওঁ কেতিয়াও বিফল নহয়। অহৰহতা হৈছে সাফল্যৰ গুপ্ত চাবি। যিজন ব্যক্তি ধৈৰ্য, শৃংখলা আৰু দৃঢ় মনোবলৰে কামত অবিচল হৈ থাকে, তেওঁৰ বাবে কোনো বাধাই অতিক্ৰম নহয়। সেয়ে ক'ব গ'লে-যিকোনো কামতে অহৰহ লাগি থকা উচিত, কাৰণ অবিৰত প্ৰচেষ্টাই মানুহক নিজৰ সপোন পূৰণৰ গন্তব্যলৈ লৈ যায়।

স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,
সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা